# স্মৃতি দিৱসত সুধাকণ্ঠলৈ অনুপম শ্ৰদ্ধাঞ্জলি

**বিশেষ সংবাদদাতা**

**নগাঁও, ৪ নৱেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দশম মৃত্যু দিৱস উপলক্ষে দুটি বিশ্বমানৱ আৰু বিশ্বভাবৰ কালজয়ী গীত- ‘মই এটি যাযাবৰ’ আৰু ‘বিমূৰ্ত মোৰ নিশাটি’ সংস্কৃত ৰূপান্তৰ পৰিবেশন কৰি শিল্পীজনলৈ অনবদ্য শ্ৰদ্ধাঞ্জলি আগবঢ়াইছে সংস্কৃত গীতৰ বিশিষ্ট শিল্পী ৰঞ্জন বেজবৰুৱা আৰু ঋতুৰাণী মৌচুমীয়ে। গীত দুটি অহা পাঁচ ছেপ্টেম্বৰ আৰু তাৰ পৰৱৰ্তী সময়ত দিল্লী দূৰদৰ্শনৰ উপৰি ইউটিউবকে ধৰি বিভিন্ন ডিজিটেল মাধ্যম তথা সামাজিক মাধ্যমত সম্প্ৰচাৰিত হোৱাৰ কথা। ‘অহো’হং যাযাবৰ’ আৰু ‘বিমূৰ্তামিৰ মন্যে নিশাম্’ শীৰ্ষক এই গীত দুটিৰ সংস্কৃত অনুবাদ ৰঞ্জন বেজবৰুৱাৰ। সংগীত পুনঃ সংযোজন ক্ৰমে অভিষেক ধৰ আৰু যাদৱ তামুলীৰ। ধ্বনি মিশ্ৰণ তথা ‘মাষ্টাৰিং’ যথাক্ৰমে শিল্পী অভিষেক ধৰ আৰু মানস হাজৰিকাৰ বাণাবন্ধন নগাঁৱৰ ‘সংগীত অ’ডিঅ’ লেব’ আৰু গুৱাহাটীৰ ‘ষ্টুডিঅ’ চিকমিক’ত। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মূলতঃ সংস্কৃত ৰূপান্তৰবোৰে অসমীয়া তথা ভাৰতীয় সংগীতলৈ বিশেষ অৰিহণা আগবঢ়াই অহা ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সংস্কৃত গীতৰ শিল্পী ৰঞ্জন বেজবৰুৱাৰ এই সংস্কৃত ‘ভূপেন্দ্ৰ সংগীতে’ বহিঃ অসমত ভূপেন হাজৰিকাৰ গীতৰ চিৰ-আধুনিকতা আৰু বিশ্বজনীনতাক পুনৰবাৰ প্ৰতিষ্ঠা কৰিব বুলি আশা কৰা হৈছে।

■ পানী সিঁচাৰ নামত পাম্প ছেট ভাড়াৰ বাবে দুবাৰ ১,৪৩,৮৮০ টকাকৈ মুঠ ২,৮৭,৭৬০ টকা খৰচ দেখুওৱা হৈছে

# লংকাত পুখুৰী উন্নয়নৰ নামত লাখ লাখ টকা হৰলুকি



**অগ্ৰদূত বাৰ্তা**

**লংকা, ৪ নৱেম্বৰ ঃ** লংকাৰ বামুণ গাঁৱত অৱস্থিত ওদালী উন্নয়ন খণ্ডৰ এচাম বিষয়া-কৰ্মচাৰীয়ে উন্নয়নৰ নামত আৱণ্টিত ধনৰ প্ৰতিটো শিতানেই সোণৰ কণী পৰা হাঁহৰ দৰে ব্যৱহাৰ কৰাৰ ফলত উন্নয়ন খণ্ডত কোনো কামেই সফল হ’ব পৰা নাই। এনে চৰকাৰী আৰু ৰাজহুৱা ধনৰ অপচয়ৰ কাহিনী বহুতো চেষ্টাৰ ফলত তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে স্থানীয় এজন সচেতন লোকে ফাদিল কৰিছে। এই সম্পৰ্কে তথ্য জনাৰ আইনৰ তথ্যসহ লংকাৰ ১৩জন সচেতন ৰাইজে বামুণগাঁৱৰ নিকটৱৰ্তী দুই নম্বৰ পিপল পুখুৰীৰ এটা পুখুৰী উন্নয়নৰ নামত ব্যয় হোৱা প্ৰায় ২১ লক্ষ টকাৰ এক বৃহৎ কেলেংকাৰিৰ তদন্তৰ বাবে হোজাই জিলাৰ উপায়ুক্তকে ধৰি মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক তদাৰকী শাখা, অসমৰ মুখ্য সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন সচিব আৰু হোজাই জিলাৰ আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰিছে। অভিযোগ মতে ২০১৫ বিত্তীয় বৰ্ষতে ওদালী উন্নয়ন খণ্ডৰ অধীনৰ দুই নম্বৰ পিপল পুখুৰী নেপালী গাঁৱত পূৰ্বৰ হোলা এটা বান্ধ দি ৰাইজে সজা নেপালী ভেটাটোক মুখ্যমন্ত্ৰীৰ অভিলাসী আঁচনিৰ অধীনত ‘স্বৰ্গদেউ ৰুদ্ৰ সিংহ আদৰ্শ পুখুৰী’ নাম দি এটা পুৰণি পুখুৰীৰ উন্নয়নৰ নামত সৰ্বমুঠ ২০,৮০,৩৯৯ টকা আবণ্টন কৰি সমুদায় ধন আত্মসাৎ কৰে। এই সম্পৰ্কে প্ৰাপ্ত তথ্য মতে, উক্ত পুখুৰীটোৰ চাৰিওপিনে চিমেণ্ট লোহাৰ পোষ্টসহ মজবুত লোহাৰ বেৰা নিৰ্মাণৰ নামত ক্ৰমে ২,০৭,০৪১ টকা আৰু ২,০২,৩৩৩ টকাসহ মুঠ ৪,০৯,৩৭৪ টকা খৰচ দেখুওৱা হৈছে। কিন্তু ছবিয়ে মিছা নকয়। সেই পুখুৰীটোৰ চাৰিওপিনে কোনো তেনে বেৰা-খোৰা নাই। আনহাতে, কনা হাঁহক পতান ধান দি আভুৱা ভঁৰাৰ দৰে, পুখুৰীটোৰ চৌকাষে পকী পাৰ আদি বন্ধাৰ বাবে ইটা, শিল, বালি ক্ৰয়ৰ নামত দুবাৰ ১,৩৯,৬৫০ টকাকৈ মুঠ ২,৯৮,৭১৬ টকা দেখুওৱা হৈছে। কিন্তু স্থানীয় লোকে এই নিৰ্মাণ সামগ্ৰী পেলোৱা দেখা নোপোৱাৰ লগতে পুখুৰীটোৰ এঠাইত মাত্ৰ এখন সৰু পকা শ্লেব দেখা যায়, যাৰ নিৰ্মাণ ব্যয় ১০ হেজাৰ টকাৰ অধিক নহ’ব বুলি অভিযোগত প্ৰকাশ কৰিছে। আনহাতে, খৰচৰ শিতানত বাঁহ ক্ৰয়ৰ নামত দেখুওৱা হৈছে ২৪ হেজাৰ টকা। কিন্তু অভিযোগত প্ৰকাশ পোৱা মতে ইয়াৰ বাঁহৰ কোনো কামেই হোৱা নাই। আটাইতকৈ হাঁহি উঠা কথা যে উক্ত পুখুৰীটোৰ পানী সিঁচাৰ নামত পাম্প ছেট ভাড়াৰ বাবে দুবাৰ ১,৪৩,৮৮০ টকাকৈ মুঠ ২,৮৭,৭৬০ টকা খৰচ দেখুওৱা হৈছে। কিন্তু অভিযোগ মতে, পানী সিঁচাৰ কোনো কামেই কৰা হোৱা নাই। বৰঞ্চ উক্ত পুখুৰীৰ দক্ষিণ ফালে খান্দি দিয়াৰ ফলত সমুদায় পানী সহজে ওলায় যায়। তদুপৰি পাম্পছেট অনা নিয়াৰ বাবদ দুবাৰকৈ অটোভেন ভাড়াৰ বাবে ১,৩২,০০০কৈ দুবাৰত মুঠ ২,৬৪,০০০ টকা খৰচ দেখুওৱা হৈছে। কিন্তু অভিযোগ মতে সেইবোৰ গোকাট মিছা। কাৰণ অভিযোগ পত্ৰত উল্লেখ থকা মতে, নগাঁও চহৰৰ পৰাও যদি ১০টা পানী সিঁচা মেচিন ভাড়াত অনা হয় তেতিয়াও ১০ হেজাৰ টকাৰ বছৰি খৰচ নহ’ব। আনহাতে খৰচৰ শিতানত শ্ৰমিকৰ মজুৰি ৫,২৬,৩৫২ টকা দেখুওৱা হৈছে যদিও অভিযোগ মতে অনুসন্ধানত ওলাই পৰিছে। কেৱল মাত্ৰ কেইঘণ্টামান এক্সাকেভেটৰ লগাই পুখুৰীৰ বোকা টনা হৈছিল। অভিযোগ পত্ৰখনত অভিযোগ কৰা মতে, তদন্ত কৰিলে উক্ত উন্নয়ন খণ্ডত এনে কেলেংকাৰি থকা ১০-১২ টা পুখুৰী ওলাব। অভিযোগ পত্ৰখনত চৰকাৰী ধনৰ এনে অপচয়ৰ সু-তদন্তৰ দাবী কৰাৰ লগতে দোষী বিষয়া-কৰ্মচাৰীৰ উচিত শাস্তি হোৱাটো কামনা কৰিছে।

# জামুগুৰিহাটত চাৰিলেন পথ নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে সৰৱ ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৪ নৱেম্বৰ ঃ** চাৰিলেণ্ড যুক্ত পথ নিৰ্মাণকাৰী সংস্থাৰ হঠকাৰী ভূমিকাৰ বাবেই ইটোৰ পাছত সিটোকৈ ভয়ানক দুৰ্ঘটনা সংঘটিত হৈছে জামুগুৰিহাটত। নিৰ্মাণকাৰী সংস্থা চিমপ্লেক্স কোম্পানীৰ বিৰুদ্ধে তেনে হঠকাৰী ভূমিকাৰ বাবে কালি সৰব হৈ পৰে জামুগুৰিহাটৰ পাতলৰচুক গাঁৱৰ যুৱকসকল। যুৱকসকলৰ অভিযোগ— নিৰ্মাণকাৰী সংস্থাই অসুৰক্ষিত ভাৱে পথ নিৰ্মাণ কৰা বাবেই প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। যোৱা দুই নৱেম্বৰৰ নিশাও সংঘটিত হয় এক ভয়ানক দুৰ্ঘটনা। পথটোৰ মাজত কালভাৰ্ট নিৰ্মাণৰ বাবে গাঁত খান্দি থোৱাত সেই গাঁতত পৰি পাতলৰচুক গাঁৱৰ ইংকুমনি ভূঞা নামৰ এজন যুৱক গুৰুতৰভাৱে আহত হয়। নিশাই সংকটজনক অৱস্থাত তেওঁক গুৱাহাটী জি এন আৰ চি হাস্পতালত ভৰ্তি কৰা হয়। নিৰ্মীয়মান কালভাৰ্টটোৰ খান্দি থোৱা গাঁতটোৰ চাৰিও দিশে বাঁহৰ বান্ধ নিদিয়াৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হয়। পথটোৰ মাজত এনেদৰে গাঁত খান্দি মৃত্যুৰ ফান্দ পতা বুলিয়েই অভিযোগ তুলি দুৰ্ঘটনাত পতিত যুৱকজনৰ দাঁতিত ৰখোৱা বাহনো তললৈ খহি যোৱাৰ অভিযোগ উঠিছে। পাহাৰীয়া মাটিৰ পৰিবৰ্তে বালি মাটিৰেই পথ সমূহ নিৰ্মাণ কৰা বাবেই এইদৰে জামুগুৰিহাটৰ চৌকীঘাটৰ পৰা মাধৱৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাঁই পথ সংযোগী পথছোৱাত বিগত সময়ছোৱাত কে’বাটাও ভয়ানক দুৰ্ঘটনা সংঘটিত হৈ অহাৰ অভিযোগ উঠিছে।

■ চিমপ্লেক্স কোম্পানীৰ হঠকাৰী ভূমিকাৰ বাবেই সংঘটিত ভয়ানক দুৰ্ঘটনা

# ঐতিহ্যমণ্ডিত নিমুৱা বুঢ়াগোহাঁই থানত শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৪ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত নিমুৱা বুঢ়াগোহাঁই থানত অহা ১০ পৰা ১৪ নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪১ সংখ্যক শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজা অনুষ্ঠিত হ’ব। পূজা পৰিচালনা কৰিবলৈ থানেশ্বৰ লহকৰক সভাপতি, ভৱেন চন্দ্ৰ বড়োক কাৰ্যকৰী সভাপতি, খনীন্দ্ৰ কুমাৰ লহকৰ আৰু প্ৰদীপ ৰাজবংশী সম্পাদকদ্বয়, বৈকুণ্ঠ কুমাৰ দাসক সহযোগী সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰি দিছে থান পৰিচালনা সমিতিয়ে। কাৰ্যসূচী অনুসৰি, ১০ নৱেম্বৰত বনভাগ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাই বন্তি প্ৰজ্বলন কৰি জগদ্ধাত্ৰী পূজাৰ আৰম্ভ কৰিব। তাৰ পাছতে নিমুৱা বুঢ়াগোহাঁই থানৰ পতাকা উত্তোলন কৰিব পূজা আৰু থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ লহকৰে। ধৰ্মীয় পতাকা উত্তোলন কৰিব মহকুমা স্বাস্থ্য বিষয়া ডাঃ দিলীপ কলিতাই। স্মৃতি তৰ্পণ কৰিব থান পৰিচালনা সমিতিৰ উপ-সভাপতি হৰিনাথ লহকৰে। সন্ধিয়া পূজা স্থলীৰ মুখ্য দ্বাৰ উদ্বোধন কৰিব নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই। তাৰ পাছতে পূজা মণ্ডপৰ দ্বাৰ উন্মোচন কৰিব সমাজকৰ্মী আনন্দ কলিতাই। সন্ধিয়া অনুষ্ঠিত হ’বলগীয়া উদ্বোধনী সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব অগপৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অমল নাৰায়ণ পাটোৱাৰী, অৱসৰী অভিযন্তা বিনোদ শৰ্মা আৰু নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীয়ে। তাৰ পাছতে নাগাৰা নাম পৰিৱেশন কৰিব হেমন্ত হালৈয়ে। ২১ নৱেম্বৰত দেৱীৰ সপ্তমী বিহিত পূজা। আবেলি ওজাপালি প্ৰদৰ্শন আৰু সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলনৰ পাছতে নাগাৰা নাম পৰিৱেশন কৰিব ভূপালী কলিতাই। ১২ নৱেম্বৰত দেৱীৰ অষ্টমী বিহিত পূজা। পুৱা আয়তীৰ নাম আৰু আবেলি ওজাপালি অনুষ্ঠান। সন্ধিয়া নাগাৰা নাম পৰিৱেশন কৰিব সুনীল পাঠকে। ১৩ নৱেম্বৰত দেৱীৰ মহানৱমী বিহিত পূজা। পুৱা আয়তীৰ নাম। আবেলি ওজাপালি প্ৰদৰ্শনৰ পাছত সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন। সন্ধিয়া আৰতিৰ পাছতে নাগাৰা নাম পৰিৱেশন কৰিব অঞ্জনা দাসে। ১৪ নৱেম্বৰত দেৱীৰ দশমী বিহিত পূজা, সমূহীয়া পুষ্পাঞ্জলি আৰু দেৱীৰ বিসৰ্জন। আবেলি প্ৰতিমা বিসৰ্জন দি ৪১ সংখ্যক শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজাৰ সামৰণি পৰিব।

# জনজাতীয়সকলৰ আইনৰ সুবিধা লাভৰ বাবে কম সংখ্যকহে আগ্ৰহী

■ ৰঙাপাৰাত জনজাতীয়সকলৰ আইনী অধিকাৰ সন্দৰ্ভত সজাগতা সভা



**বিশেষ সংবাদদাতা**

**ৰঙাপাৰা, ৪ নৱেম্বৰ ঃ** শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণে জিলাখনত গ্ৰহণ কৰি আছে প্ৰশংসনীয় পদক্ষেপ। আজি ৰঙাপাৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ফুলুগুৰী গাঁও পঞ্চায়ত কাৰ্যালয়ত ডিষ্ট্ৰিক্ট লিগেল ছাৰ্ভিচ অথ’ৰিটি চমুকৈ ডিএলএছৰ উদ্যোগত জনজাতীয়সকলৰ আইনী অধিকাৰ সন্দৰ্ভত এক সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাত শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণৰ জিলা সমন্বয়ক হাজিদুৰ ৰহমানে জনজাতীয়সকলৰ বাবে উপলব্ধ থকা আইনী অধিকাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। তেওঁ নিজৰ বক্তব্যত উল্লেখ কৰে যে আইন সকলোৰে বাবে একে বা সমভাৱে ন্যায় লাভ কৰাৰ স্বাৰ্থত সমাজৰ দৰিদ্ৰ তথা দুৰ্বল শ্ৰেণীৰ লোকসকলক আইনী সাহায্য প্ৰদান কৰাৰ দায়িত্ব সংবিধানৰ ৩৯(ক) অনুচ্ছেদৰ দ্বাৰা চৰকাৰৰ ওপৰত ন্যস্ত কৰা হৈছে। বৰ্তমান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, সংবিধানত উল্লিখিত এই অধিকাৰ চৰকাৰে ভাৰতীয় সংসদৰ জৰিয়তে আইন সেৱা প্ৰাধিকাৰী আইন ১৯৮৭ (সংশোধনী হয় ১৯৯৪ চন) প্ৰণয়ন কৰে। ১১ অক্টোবৰত এই আইনে ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰে। অসম আৰু কেইখনমান ৰাজ্যত ১৯৯৫ৰ ন নৱেম্বৰৰ পৰা এই আইনখন কাৰ্যকৰী হয় আৰু ১৯৯৮ত অসমত ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী স্থাপন কৰা হয়। ১৯৯৯ৰ এপ্ৰিলৰ পৰা অসমত এই প্ৰাধিকাৰীৰ কাম আৰম্ভ কৰা হয়। এই আইনৰ অধীনত অসমত লোক আদালত গঠন কৰি মীমাংসাৰ দ্বাৰা বহুসংখ্যক গোচৰ নিষ্পত্তি কৰা হৈছে। মটৰ দুৰ্ঘটনাত পতিত বহুসংখ্যক গোচৰত উপযুক্ত ক্ষতিপূৰণ দিয়াটো এইখন আইনৰ লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। এই আইনৰ দ্বাৰা আইনী সাহায্য লাভ কৰিবলৈ আবেদন কৰিব পাৰে। আবেদনকাৰীজন কোনো অনুসূচিত জাতি বা জনজাতিৰ সদস্য, তিৰোতা বা শিশু, উপাৰ্জনহীন, মানসিকভাৱে অসুস্থ বা শাৰীৰিকভাৱে অক্ষম, উদ্যোগিক শ্ৰমিক, মানসিক বিকাৰগ্ৰস্ত বা প্ৰতিবন্ধী লোক, প্ৰাকৃতিক দুৰ্যোগ বা গোষ্ঠী সংঘৰ্ষৰ দ্বাৰা ক্ষতিগ্ৰস্ত, নিৰ্যাতিত লোক আৰু বছৰেকীয়া উপাৰ্জন ৭৫ হেজাৰতকৈ কম। সেইসকলে উচ্চ ন্যায়ালয় স্তৰলৈকে আইনী সাহায্য লাভ কৰিবৰ যোগ্য। দৰিদ্ৰ তথা দুৰ্বল শ্ৰেণীৰ লোকক লক্ষ্য কৰি এই আইনখন প্ৰণয়ন কৰা হয় যদিও বৰ্তমানেও এইখন আইনৰ সুবিধা লাভ কৰিবৰ বাবে কমসংখ্যক লোকেহে আগবাঢ়ি আহে বুলি তেওঁ আক্ষেপ কৰে। সমাজকৰ্মী সমীৰ সৰকাৰে আঁত ধৰা সজাগতা সভাত সভাপতিত্ব কৰে ফুলুগুৰী গাঁও পঞ্চায়তৰ সভাপতি কৈলাশ ওৰাঙে। সভাত খেলমাটি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক নৰেশ্বৰ বড়ো, সহঃ শিক্ষক প্ৰসন্ন ৰাভা, সমাজকৰ্মী বিশ্বজিত দৈমাৰী, সাংবাদিক তথা অৰ্ধআইনী স্বেচ্ছাসেৱক ছাজাহান ছেলিম কুৰেছী আৰু বহু গণ্য-মান্য ব্যক্তি অংশগ্ৰহণ কৰে। সভাত বক্তাসকলে এই আইনখনক অধিক জনমুখী কৰি তুলিব পাৰিলে ভৱিষ্যতে ইয়াৰ দ্বাৰা বহুসংখ্যক লোক উপকৃত হ’ব।

# ছাত্ৰ মুক্তিৰ মৰনৈ আঞ্চলিক কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৪ নৱেম্বৰ ঃ** গোৱালপাৰা জিলাৰ নেপালীখুটি প্ৰাথমিক বিদ্যালয়ত যোৱা তিনি নৱেম্বৰত ছাত্ৰ মুক্তিৰ মৰনৈ আঞ্চলিক সমিতি গঠনৰ উদ্দেশ্যে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। ৰাইজৰ দলৰ যুৱ দলৰ জিলা সাংগঠনিক সম্পাদক খাজা মইনুদ্দিনৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনত লাল মিঞাক সভাপতি আৰু ইদ্ৰিছ আলীক সম্পাদক হিচাপে লৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ মৰনৈ আঞ্চলিক কমিটী গঠন কৰা হয়। সভাখনত উপস্থিত থাকি ছাত্ৰ মুক্তিৰ জিলা সভাপতি জাকিৰ হুছেইনে বাল্যবিবাহ, শিক্ষা, দুৰ্নীতি, অন্যায় আদি বিষয় লৈ আলোচনা কৰে।


# তিনি-চাৰিদিন কাৰ্যালয়ত উপস্থিত থাকিয়েই ভোগ কৰিছে দৰমহা

■ বহলপুৰ পঞ্চায়ত সচিবৰ মইমতালি

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ৪ নৱেম্বৰ ঃ** গ্ৰাম্যাঞ্চলৰ জনসাধাৰণৰ বিভিন্ন চৰকাৰী কাম-কাজ আৰু উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে যদিও একাংশ চৰকাৰী বিষয়া-কৰ্মচাৰীৰ দায়িত্বহীনতা আৰু মইমতালিৰ বাবে সৰ্বসাধাৰণ ৰাইজে জীয়াতু ভুগিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধীনস্থ চাপৰ শালকোচা উন্নয়ন খণ্ডৰ অন্তৰ্গত বহলপুৰ গাঁও পঞ্চায়তৰ বৰ্তমান কৰ্মৰত পঞ্চায়ত সচিব সাহনুৰ জামাল আজাদ নামৰ কৰ্মচাৰীজনে নিজৰ খেয়ালখুচি মতে কাম-কাজ চলাই চৰকাৰী দৰমহা ভোগ কৰা বুলি ৰাইজে অভিযোগ কৰিছে। অভিযোগ অনুসৰি পঞ্চায়ত সচিবজনে বহলপুৰ গাঁও পঞ্চায়তত সচিব হিচাপে যোগদান কৰা আজি প্ৰায় তিনিমাহমান হ’ল যদিও দীৰ্ঘদিনৰ পৰা তেওঁ কাৰ্যালয়ত অনুপস্থিত থকাত ৰাইজৰ কাম-কাজ বিঘ্নিত হৈ পৰিছে। ৰাইজে অভিযোগ কৰা মতে, তেওঁ মাহেকত তিনি-চাৰিদিনহে উপস্থিত থাকে। ফলত গ্ৰামাঞ্চলৰ ৰাইজ কাৰ্যালয়লৈ তাঁত-বাটি কাঢ়ি কাঢ়িহে কাম আদায় কৰিবলগীয়া অৱস্থা হয়। বহুতে আকৌ চাৰি-পাঁচদিন কাৰ্যালয়লৈ কামৰ বাবে আহিও বিভিন্ন অজুহাতত ঘূৰি যাবলগীয়া হয়। ফলত স্বাভাৱিকতে চৰকাৰে যি উদ্দেশ্য লৈ পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্তন কৰিছে সেয়া বাস্তৱিক ক্ষেত্ৰত বুমেৰাঙত পৰিণত হৈছে। জনসাধাৰণৰ সুবিধাৰ অৰ্থে প্ৰৱৰ্তন কৰা সেৱাসমূহ এনেদৰেই একাংশ বিষয়া-কৰ্মচাৰীৰ মইমতালি আৰু দায়িত্বহীনতাৰ বাবে এনেদৰে প্ৰহসনতহে পৰিণত হোৱা বুলি ৰাইজে মত প্ৰকাশ কৰিছে। এইক্ষেত্ৰত বিভাগীয় উচ্চতম মহলে এইগৰাকী পঞ্চায়ত সচিবৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া ৰাইজে অপেক্ষা কৰি আছে।

# অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী বিদ্যুৎ চন্দ্ৰ দাসৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৪ নৱেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত টেবিতোলা নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক বিদ্যুৎ চন্দ্ৰ দাস (৮৪)ৰ যোৱা তিনি নৱেম্বৰৰ নিশা নিজ বাসগৃহত পৰলোপ্ৰাপ্তি ঘটে। ১৯৭৩ত নাগ্ৰীজুলিৰ বগৰীখুঁটি মিলন মধ্য ইংৰাজী বিদ্যালয়ত হিন্দী শিক্ষক হিচাপে যোগদান কৰা বিদ্যুৎ চন্দ্ৰ দাসে সুদীৰ্ঘ কাল শিক্ষকতা কৰি ২০০৭ৰ এক আগষ্টত অৱসৰ গ্ৰহণ কৰিছিল। অসম সাহিত্য সভাৰ আজীৱন সদস্য বিদ্যুৎ চন্দ্ৰ দাস মৃত্যুৰ আগলৈকে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ স’তে জড়িত আছিল। দীৰ্ঘদিন ধৰি দাস বাৰ্ধক্যজনিত ৰোগত ভুগি আছিল। অঞ্চলটোৰ সৰ্বৰহী ব্যক্তি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সদস্য দাসৰ মৃত্যুৱে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। দাসৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে গুণমুগ্ধই ঘৰত উপস্থিত হয় আৰু মৃতকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দাসে পত্নীসহ তিনিপুত্ৰক ইহসংসাৰত এৰি যায়।

# ছয়গাঁও চক্ৰ বিষয়া কাৰ্যালয়ত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

**ছয়গাঁও, ৪ নৱেম্বৰ ঃ** ড° ভূপেন হাজৰিকাৰ দশম বাৰ্ষিক মৃত্যু দিৱস অহা পাঁচ নৱেম্বৰত ছয়গাঁও ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু ছয়গাঁও শিল্পী সমাজে যুটীয়াভাৱে উদ্‌যাপনৰ আয়োজন কৰিছে। চক্ৰ বিষয়াৰ কাৰ্যালয় চৌহদত উদ্‌যাপিত হ’ব লগা দিৱসটোৰ কাৰ্যসূচীৰ ভিতৰত আছে ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা, ভূপেন হাজৰিকাৰ জীৱন দৰ্শনৰ ওপৰত আলোচনা, প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। ছয়গাঁও শিল্পী সমাজৰ প্ৰচাৰ সচিব বিপুল কুমাৰ ডাকুৱাই সদৰী কৰা মতে উক্ত দিনা পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ’ব লগা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ’ব। অষ্টমমানলৈ ‘ক’ শাখাৰ প্ৰথম বিজয়ীয়ে মানপত্ৰ সহিতে জুৰি শালৈ সোঁৱৰণী বঁটা ২,০০১ টকা, দ্বিতীয় বিজয়ীয়ে বিশ্বনাথ দত্ত সোঁৱৰণী বঁটা ১,৫০১ টকা লাভ কৰিব। ইয়াৰ উপৰি নৱম মানৰ পৰা ভূপেন্দ্ৰ সংগীতৰ মুকলি ‘খ’ শাখাত প্ৰথম বিজয়ীয়ে হৰিচৰণ কলিতা সোঁৱৰণী বঁটা ৩,০০১ টকা আৰু দ্বিতীয়ই মুক্তি যুঁজাৰু বৈকুণ্ঠনাথ শৰ্মা সোঁৱৰণী বঁটা ২,০০১ টকা লাভ কৰিব। ছয়গাঁও চম্পকনগৰ ছোৱালী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক ভাৰত চন্দ্ৰ দাস সোঁৱৰণী মঞ্চত প্ৰতিযোগিতা উদ্বোধন কৰিব পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী ডিম্পী বৰাই। অন্যান্য কাৰ্যসূচী ৰূপায়ণত স্থানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ, ছয়গাঁও ৰাজহ চক্ৰ বিষয়া সৰোজ সোণোৱাল, ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠক, ছয়গাঁও প্ৰোছ ক্লাবৰ সভাপতি ভগৱান দাস উপস্থিত থাকিব। সাংস্কৃতিক অনুষ্ঠানত শিল্পী সদানন্দ গগৈয়ে অংশগ্ৰহণ কৰিব।

# টিংখাঙত কাঠৰ খুঁটাৰে বিদ্যুৎ সৰবৰাহ



**অগ্ৰদূত বাৰ্তা**

**টিংখাং, ৪ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমণ্ডল অঞ্চলত বৰ্তমানেও কাঠৰ খুঁটাৰে বিদ্যুৎ সৰবৰাহ চলি থকা কাৰ্যই সকলো চকু কপালত তুলিছে। কাঠৰ খুঁটাৰে এনেদৰে অতি বিপজ্জনকভাৱে বিদ্যুৎ সৰবৰাহ চলি আছে টিংখাং মৌজাৰ খনিকৰ গাঁৱৰ ওজা চুকত। কে’বা বছৰৰ পূৰ্বে এক প্ৰাকৃতিক দুৰ্যোগত উক্ত বিদ্যুৎ পৰিবাহী লাইনৰ খুঁটাটো ভাগি পৰিছিল। ভাগি পৰা খুঁটাটো তৎকালীনভাৱে সলনি কৰিবলৈ সেই সময়ত সামৰ্থ নথকা বিদ্যুৎ বিভাগক সহায়ৰ হাত আগবঢ়াই স্থানীয় এজন লোকে এটা সোণাৰু গছৰ খুঁটা বিদ্যুৎ বিভাগক আগবঢ়ায়। সেই খুঁটাটোৰেই আজি কে’বা বছৰ ধৰি বিদ্যুৎ সৰবৰাহ চলি আছে।

অতি পুৰণি খুঁটাটোৱে ভৱিষ্যতে অঘটন ঘটোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি গঞা ৰাইজে বিদ্যুৎ বিভাগৰ উপৰি দায়িত্বশীল জনপ্ৰতিনিধিসকলক খুঁটাটো সলনি কৰিবলৈ বহু বাৰ আবেদন-নিবেদন কৰাৰ পাছতো আজিকোপতি কোনো পক্ষই কাণসাৰ নিদিলে।

ৰাজ্যখনত বিদ্যুৎ বিভাগৰ ন ন আঁচনিৰে বিভাগক উজলাই তুলিবলৈ চেষ্টা কৰিছে যদিও টিংখাঙৰ খনিকৰ গাঁৱৰ এই বিদ্যুৎ পৰিবাহী লাইনৰ কাঠৰ খুঁটাটোৱেই উদঙালে বিদ্যুৎ বিভাগৰ ফোঁপোলা স্বৰূপ। বিপদৰ প্ৰতি লক্ষ্য ৰাখি অচিৰেই উক্ত খুঁটাটো সলনি কৰি পকী খুঁটা লগাই জনগণক সাম্ভাব্য বিপদৰ পৰা ৰক্ষা কৰিবলৈ স্থানীয় লোকে বিভাগক দাবী জনাইছে।



ঢকুৱাখনাত দীপাৱলীত বন্তি প্ৰজ্বলন, বৃহস্পতিবাৰে।

# নিয়ম উলংঘাৰে নিৰ্মাণ বনগাঁও বৰপমুৱা পথ

■ ব্লেকট্ৰেপিং কৰা অংশত খাল, মেলিছে ফাট ■ সম্পূৰ্ণ হোৱাৰ পূৰ্বেই মেৰামতিৰ নিৰ্দেশ মাজুলী গড়কাপ্তানী বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৪ নৱেম্বৰ ঃ** জনপ্ৰতিনিধিবিহীন প্ৰাক্তন মুখ্যমন্ত্ৰীৰ সমষ্টি মাজুলীত এতিয়া বিষয়া-ঠিকাদাৰসকলেই উঠি ৰজা বহি ৰজা হৈ পৰিছে। বিগত পাঁচ বছৰৰ দৰে উন্নয়নৰ ধাৰা জিলাখনত অব্যাহত নাথাকিলেও যি দুই-এক উন্নয়নৰ প্ৰকল্প জিলাখনত ৰূপায়ণ হৈ আছে সেইসমূহো ঠিকাদাৰ আৰু বিভাগীয় বিষয়াৰ মিতিৰালিৰে প্ৰাক্কলন উলংঘা কৰি চলি আছে। প্ৰাপ্ত অভিযোগ অনুসৰি, মাজুলী জিলাৰ অতি গুৰুত্বপূৰ্ণ বনগাঁও-বৰপমুৱা পথৰ বনগাঁও-পহুমৰা অংশটো নিৰ্মাণত ঠিকাদাৰে প্ৰাক্কলন উলংঘা কৰাৰ ফলত পথটোৰ নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই নানা বিসংগতিয়ে দেখা দিছে। প্ৰায় ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা উন্নীতকৰণৰ বাবে চৰকাৰে ১০ কোটি টকা মোকলাই দি ‘টি ডি কনষ্ট্ৰাকচন’ নামৰ কোম্পানীটোক কাম আবণ্টন দিয়ে। কিন্তু নিৰ্মাণ আৰম্ভ কৰাৰ পাছৰ পৰা গড়কাপ্তানী পথ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ পৰ্যবেক্ষণৰ অভাৱত পথছোৱাত ঠিকাদাৰে প্ৰাক্কলন উলংঘাৰে কৰিবলৈ সুবিধা পাইছে। বনগাঁৱৰ দিশৰ পৰা কাম আৰম্ভ কৰা পথটোৰ বৰ্তমান বনগাঁও-চামগুৰি তিনিআলিলৈকে অংশটোত ঠায়ে ঠায়ে ব্লেকট্ৰেপিং সম্পূৰ্ণ হৈছে আৰু চামগুৰি তিনিআলিৰ পৰা পহুমৰা অংশ ছেণ্ড গ্ৰেভেল কৰা পৰ্যায়তে আছে। অঞ্চলটোৰ ৰাইজৰ অভিযোগ অনুসৰি পথটো প্ৰাক্কলন উলংঘাৰে কৰাৰ বাবে ব্লেকট্ৰেপিং আৰু ছেণ্ড গ্ৰেভেল কৰা অংশটোত খালেৰে ভৰি পৰিছে। বৰষুণৰ বতৰত পকী কৰা অংশটোৰ খালবোৰত ডোঙা-ডোঙে পানী বৈ যাতায়াতৰ সমস্যাৰ সৃষ্টি কৰে। একেদৰে ছেণ্ড গ্ৰেভেল কৰা অংশটোত থকা খালবোৰত বোকা পানী হৈ পথছোৱা বিপজ্জনক হৈ পৰে। ৰাইজে জানিবলৈ দিয়া মতে, পথটোৰ নিৰ্মাণৰ আৰম্ভণিতে ঠিকাদাৰে পূৰ্বৰ পকী অংশ এৰুৱাই দুই তৰপ ছেণ্ড গ্ৰেভেল ঢালি কম্পনযুক্ত ৰোলাৰ উপযুক্তভাৱে চলাব লাগিছিল যদিও বিভাগৰ পৰ্যবেক্ষণবিহীন পথটোত ঠিকাদাৰে পালমাৰি কাম কৰাৰ বাবে পথটোত খাল হ’বলৈ আৰু ফটাত ইন্ধন যোগাইছে। বিষয়টো সন্দৰ্ভত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বনগাঁও আঞ্চলিক সমিতিয়ে গড়কাপ্তানী পথ বিভাগৰ পৰা জানিব বিচৰাত বিভাগটোৰ বিষয়াই পথটোৰ খাল হোৱা পকী অংশসমূহ মেৰামতি কৰা হ’ব বুলি জানিবলৈ দিয়ে আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগে পথটো খান্দি পানী যোগানৰ পাইপ বহুৱাৰ বাবেহে খাল-ডোং আৰু অন্যান্য বিসংগতি হৈছে বুলি জনায়। বিভাগে পথটোত সংঘটিত বিসংগতি সন্দৰ্ভত এনে উত্তৰ দিলেও ৰাইজে বিষয়টো সহজভাৱে গ্ৰহণ কৰা নাই, কাৰণ জনস্বাস্থ্য কাৰিকৰী বিভাগে পথটোৰ এটা ফালতহে নলা বহুৱাবৰ বাবে খান্দিছে কিন্তু এতিয়া পথটো দুয়োফালতেই খালৰ সৃষ্টি হৈছে। আনহাতে, পথছোৱাৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পূৰ্বেই গড়কাপ্তানী পথ বিভাগে মেৰামতিৰ কথা কোৱাত জনসাধাৰণ ক্ষুব্ধ হৈ পৰিছে আৰু মাজুলী জিলা প্ৰশাসনক পথটো নিৰ্মাণত অব্যাহত থকা বিসংগতি আঁতৰ কৰিবলৈ দাবী জনাইছে।

# দেওমৰনৈত বিগত সাত বছৰে আধৰুৱা ড° ভূপেন হাজৰিকা মুকলি মঞ্চ-উদ্যান

**হাবি-জংঘলেৰে আবৰি ধৰিছে প্ৰকল্পস্থলী ঃ মুকলিৰ দাবী আছু-যুৱ-ছাত্ৰ পৰিষদৰ**



অগ্ৰদূত বাৰ্তা
দেওমৰনৈ, ৪ নৱেম্বৰ ঃ দৰং জিলাৰ দেওমৰনৈত বিগত সাত বছৰেও সম্পূৰ্ণ নহ'ল ভূপেন হাজৰিকা মুকলি মঞ্চ আৰু উদ্যান। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া মুকলি মঞ্চ আৰু উদ্যানখন সাত বছৰেও সম্পূৰ্ণ নোহোৱাত ক্ষুব্ধ হৈ পৰিছে দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেওমৰনৈ আঞ্চলিক সমিতিৰ লগতে সচেতন ৰাইজ। উন্নয়ণ খণ্ড পৰ্যায়ৰ নিৰ্মাণ কাৰ্যটি বিগত সাতবছৰে অসম্পূৰ্ণ কৰি পেলাই থৈ অকল সংগীত সূৰ্য গৰাকীকে নহয় ৰাইজকো ভেঙুচালি কৰা বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰে ছাত্ৰ সংগঠন দুটাই। সম্প্ৰতি হাবি-জংঘলে আৱৰি থকা মুকলি মঞ্চ আৰু উদ্যানখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী উত্থাপন কৰিছে সংগঠন দুটাই। উল্লেখ্য যে ২০১৪ৰ পাঁচ নৱেম্বৰত সুধাকণ্ঠ ড° ভুপেন হাজৰিকাৰ স্মৃতিত দেওমৰনৈত ৰংগমঞ্চ আৰু মুকলি উদ্যানৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছিল তদানীন্তন কংগ্ৰেছ চৰকাৰে। অসমৰ প্ৰতিটো উন্নয়ন খণ্ডতে একোটাকৈ ৰংগমঞ্চ আৰু উদ্যান নিৰ্মাণৰ সিদ্ধান্ত অনুসৰি ছিপাঝাৰ উন্নয়ন খণ্ডই দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ উত্তৰ দিশত উক্ত প্ৰকল্পটোৰ কাম আৰম্ভ কৰিছিল। কিন্তু অত বছৰে সম্পূৰ্ণ হৈ নুঠিল। সেয়েহে দেওমৰনৈত স্থাপন কৰা ড° ভুপেন হাজৰিকাৰ স্মৃতিত নিৰ্মাণ কৰা ৰংগমঞ্চ আৰু মুকলি উদ্যানৰ নিৰ্মাণ কাৰ্য আধৰুৱা হৈ থকা বিষয়টো সঠিক তদন্ত কৰিবলৈ মুখ্যমন্ত্ৰী, স্থানীয় বিধায়ক আৰু বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত ছাত্ৰ সন্থা আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেওমৰনৈ আঞ্চলিক সমিতিয়ে দাবী জনাইছে।

আনহাতে, সুধাকণ্ঠৰ স্মৃতি দিৱসৰ প্ৰাক্ক্ষণত হাবি-জংঘলে আৱৰি থকা মুকলি আৰু উদ্যান পৰিষ্কাৰ কৰে দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেওমৰনৈ আঞ্চলিক সমিতিয়ে। আজি কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা কৰুণা বৰুৱা, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক অপূৰ্ব শৰ্মা, দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ, প্ৰাক্তন ছাত্ৰ ছাত্ৰ নেতা প্ৰফুল্ল কুমাৰ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতিৰ উপদেষ্টা নৱজিৎ শৰ্মা, দেওমৰনৈ আঞ্চলিক যুৱ-ছাত্ৰ পৰিষদৰ আঞ্চলিক সমিতিৰ সভাপতি কমলা ডেকা, সম্পাদক বিপুল কুমাৰ নাথ, উপদেষ্টা দীনেশ বণিয়া, প্ৰতিশ্ৰুতি এনজিঅ'ৰ সদস্য জয়ন্ত কলিতা, জ্যেষ্ঠ ব্যক্তি সংৰাম ডেকা, ধৰণী ডেকা আদি উপস্থিত থাকি সুধাকণ্ঠ ড° ভুপেন হাজৰিকাৰ সোঁৱৰণী মুকলি ৰংগমঞ্চ আৰু উদ্যানৰ হাবি জংঘল আৰু চৌহদ পৰিস্কাৰ কৰে।

## ভটীয়াপাৰৰ ব্যৱসায়ীলৈ শ্ৰদ্ধাঞ্জলি

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ৩ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ভটীয়াপাৰৰ ব্যৱসায়ী নিযুত দাস (৪০)ৰ যোৱা পহিলা নৱেম্বৰত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। ভটীয়াপাৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ মা হোটেলৰ স্বত্বাধীকাৰ দাসৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। আজি স্থানীয় ব্যৱসায়ী সন্থাৰ উদ্যোগত অনুষ্ঠিত হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সমাজকৰ্মী ভোলা কাকতি আৰু আইলা হাবি নামঘৰৰ নামঘৰীয়া বিপুল দাসে আৰম্ভ কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বহুকেইজন স্থানীয় ব্যক্তি আৰু ব্যৱসায়ীয়ে দাসৰ কৰ্তব্য নিষ্ঠা আৰু দাসে নৱ প্ৰজন্মৰ বাবে দেখুৱাই যোৱা আদৰ্শৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। ব্যৱসায়ী সন্থাৰ হৈ ৰজত দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলী অনুষ্ঠানত অৰ্ধশতাধিক উপস্থিত ব্যক্তিয়ে ব্যৱসায়ীজনৰ মৃত্যুত শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুগৰাকী কন্যা এৰি যায়।

## 'নেদাৰলেণ্ডত কি দেখিলো, কি শিকিলো' আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানৰ আয়োজন

**বিশেষ সংবাদদাতাঃ**
**ডিব্ৰুগড় ৪ নৱেম্বৰ ঃ** ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, লিডু মহাবিদ্যালয়, শদিয়া মহাবিদ্যালয়, ডিব্ৰুগড় সাহিত্য সভা আৰু মুম্বাই অসম সাহিত্য সভাৰ স্বৰ্ণ শাখাৰ উদ্যোগত সাত নৱেম্বৰৰ বিয়লি পাঁচ বজাত অনলাইন মাধ্যমত অনুষ্ঠিত হ'ব 'নেদাৰলেণ্ডত কি দেখিলো, কি শিকিলো' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় মননশীল বক্তৃতানুষ্ঠান। বক্তৃতানুষ্ঠানৰ সমল ব্যক্তিৰূপে বক্তৃতা প্ৰদান কৰিব নেদাৰলেণ্ডৰ ই এম ই এ (সংগ্ৰহ)ৰ মুৰব্বী, নেদাৰলেণ্ডৰ প্ৰৱাসী অসমীয়া চাকিল আহমেদে। বক্তৃতানুষ্ঠানটো উদ্বোধন কৰিব ডনবস্ক' বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁয়ে।

ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা স্নেহবন্ধনৰ সম্পাদৰ্ক ড° শশীকান্ত শইকীয়াই সঞ্চালনা কৰিবলগীয়া অনুষ্ঠানটোত উপস্থিত থাকিব ক্ৰমে মুম্বাই অসম সাহিত্য সভাৰ স্বৰ্ণ শাখাৰ সভানেত্ৰী সুৰাইয়া জাহান, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, লিডু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কৃপা প্ৰসাদ উপাধ্যায়, শদিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ব্ৰজেন শইকীয়া, স্নেহবন্ধনৰ সহকাৰী সম্পাদক তথা বিশিষ্ট বিজ্ঞানী, দক্ষিণ আফ্ৰিকাৰ প্ৰিটৰিয়াৰ নিৰাসী ড° মুকুট গোহাঁই, কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মৰমী তালুকদাৰ, ডিব্ৰুগড় সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক ৰাতুল বুঢ়াগোহাঁই আৰু বিশিষ্ট শিল্পী গীতালি মহন্ত। উল্লেখ্য যে অনুষ্ঠানটিত দেশ-বিদেশৰ বহুকেইখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বহুকেইজন প্ৰৱাসী অসমীয়াই অংশগ্ৰহণ কৰিব।

## মুক্তিযুঁজাৰু দেৱেশ্বৰ দলৈৰ জন্মদিনত স্মৃতিচাৰণ সভাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ৪ নৱেম্বৰ ঃ** ড° যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত, পৰিয়ালৰ ন্যাস সমিতিৰ সহযোগত, যোৰহাট গ্ৰীণভিউ লেন নিৱাসী ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ মুক্তিযুঁজাৰু পেঞ্চনপ্ৰাপক, সদৌ অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলন আৰু যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰাক্তন সভাপতি, সমাজসেৱক, গান্ধীবাদী বিশিষ্ট মুক্তিযোদ্ধা প্ৰয়াত দেৱেশ্বৰ দলৈৰ পাঁচ নৱেম্বৰত ৯৯ সংখ্যক জন্মদিনৰ দিনটোত এখন স্মৃতিচাৰণ সভা আয়োজন কৰা হৈছে। মুক্তিযোদ্ধাজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হ'বলগীয়া স্মৃতিচাৰণ সভাখনত জিলাখনৰ কে'বাজনো বিশিষ্ট ব্যক্তি বক্তা হিচাপে উপস্থিত থাকিব বুলি জনোৱাৰ লগতে পৰিয়ালবৰ্গই সকলোৰে উপস্থিত কামনা কৰে।

## নাবাৰ্ডৰ ঔদ্যোগিক বিকাশ কাৰ্যসূচী মুকলি

**দেৰগাঁও, ৪ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক, চমুকৈ নাবাৰ্ডৰ অৰ্থ সাহায্যত গোলাঘাটৰ হস্তশিল্প উন্নয়ন প্ৰতিষ্ঠানৰ উদ্যোগত যোৱা এক নৱেম্বৰত গণকপুখুৰীত সাজপোছাক নিৰ্মাণৰ এটি ক্ষুদ্ৰ ঔদ্যোগিক বিকাশ কাৰ্যসূচী উদ্বোধন কৰে অসম গ্ৰামীণ বিকাশ বেংকৰ আঞ্চলিক প্ৰবন্ধক মহেশ বৰুৱাই। গোলাঘাট নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক সুশান্ত চক্ৰৱৰ্তী মুখ্য অতিথিৰূপে উপস্থিত থকা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় হস্তশিল্প উন্নয়ন প্ৰতষ্ঠানৰ সাধাৰণ সম্পাদক পংকজ কুমাৰ শৰ্মাই। ৩০ গৰাকী আত্মসহায়ক গোটৰ সদস্যই অংশগ্ৰহণ কৰা সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অসম গ্ৰামীণ বিকাশ বেংক, গণকপুখুৰী শাখাৰ শাখা পৰিচালক প্ৰিয়ংকা শইকীয়া, জিলা হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ বিষয়া ভূপেন বৰা, উত্তৰ-পূব ক্ষুদ্ৰ বিত্ত বেংক, ঢেকিয়াল শাখাৰ পৰিচালক প্ৰশান্ত ডেকা, কৃষি পৰিদৰ্শক ৰমা দত্ত আৰু হস্তশিল্প উন্নয়ন প্ৰতিষ্ঠানৰ কাৰ্যকৰী সভাপতি পৱিত্ৰ শইকীয়াই।

## বিশ্বনাথত ৰাসৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৪ নৱেম্বৰ ঃ** ৰাস পূৰ্ণিমা অহাৰ লগে লগে ৰাস মহোৎসৱ উদ্‌যাপন কৰিবলৈ সমগ্ৰ ৰাজ্যবাসী সাজু হৈ পৰিছে। পিছ পৰি ৰোৱা নাই বিশ্বনাথো। জিলাখনত কে'বাখনো ৰাসৰ আয়োজনৰ প্ৰস্তুতি আৰম্ভ হৈছে। ঐতিহাসিক গুপ্তকাশী বিশ্বনাথ ঘাটৰ নতুন গাঁৱত চলিছে ৰাস মহোৎসৱৰ পূৰ্ণ প্ৰস্তুতি। শিশুৰ পৰা আৱাল-বৃদ্ধ বনিতালৈকে সকলো ওলাই আহিছে ৰাসৰ আখৰা থলীলৈ। পূৰ্ণোদ্যমে চলিছে ৰাসৰ আখৰা।

**■ চৰকাৰী চাকৰি নহ'লেও সুখী ননৈৰ দ্বিপেন্দ্ৰ**

# ব্ৰইলাৰ ফাৰ্মো হ'ব পাৰে স্বচ্ছল জীৱনৰ পথ

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৪ নৱেম্বৰ ঃ** সাম্প্ৰতিক সময়ত কোনো চৰকাৰী সাহায্য লাভ নকৰাকৈ এখন ব্ৰইলাৰ ফাৰ্মেৰে কেনেকৈ স্বচ্ছলভাৱে জীৱন-যাপন কৰিব পাৰি তাৰেই সুন্দৰ নিদৰ্শন দঙি ধৰিছে নলবাৰীৰ এজন শিক্ষিত যুৱকে। উল্লেখ্য যে যোৱা কে'বা বছৰ ধৰি চৰম ধৈৰ্য আৰু একাগ্ৰতাৰে ধাৰাবাহিকভাৱে ব্ৰইলাৰ ফাৰ্ম এখনেৰে নিজৰ লগতে পৰিয়াল পোহপাল দিব পাৰি তাৰ চানেকি দিয়া শিক্ষিত যুৱকজন হ'ল দ্বিপেন্দ্ৰ কলিতা। জিলাখনৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ তথা বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত ননৈ গাঁৱৰ বাসিন্দা দ্বিপেন্দ্ৰ কলিতা এজন স্নাতক ডিগ্ৰীধাৰী যুৱক। অঞ্চলটোৰ নীৰৱ সমাজকৰ্মী দুলাল কলিতা আৰু কমলা কলিতাৰ জ্যেষ্ঠ পুত্ৰ দ্বিপেন্দ্ৰই দুবছৰ পূৰ্বে নিজ ঘৰতে চৰকাৰী চাকৰিৰ আশা বাদ দি আৰম্ভ কৰিছিল এখন সৰু ব্ৰইলাৰ ফাৰ্ম। সময়ৰ গতিত ক্ষুদ্ৰ আকাৰত আৰম্ভ কৰা ব্ৰইলাৰ ফাৰ্মখন জিলাখনৰ ভিতৰত এখন লেখত ল'বলগীয়া ফাৰ্ম হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। নিজৰ ঘৰৰ পিছফালে থকা ভূমিত আটোমটোকাৰীকৈ সজাই লোৱা দুটা ডাঙৰ গৃহত সম্প্ৰতি ২৫ ৰ পৰা তিনি হেজাৰ পৰ্যন্ত ব্ৰইলাৰৰ পোৱালি ৰাখি এই ব্যৱসায় চলাই আছে।



ব্ৰইলাৰ ফাৰ্মখন প্ৰথমে ক্ষুদ্ৰ আকাৰৰ আছিল যদিও সম্প্ৰতি ডাঙৰ হোৱাত অস্থায়ীভাৱে আন দুজন লোকো ফাৰ্মখনত নিযুক্ত হৈ পৰিয়াল পোহপাল দিব পৰা হৈছে। উল্লেখ্য যে ফাৰ্মখনৰ সমান্তৰালকৈ দ্বিপেন্দ্ৰই সম্প্ৰতি এখন থলুৱা ছাগলীৰ ফাৰ্ম চলোৱাৰ পৰিকল্পনা হাতত লৈছে। সম্পূৰ্ণ নিজৰ গাঁঠিৰ ধনেৰে দ্বিপেন্দ্ৰই নিজৰ ঘৰতে এক উৎকৃষ্ট স্বাৱলম্বনৰ নিদৰ্শন চলোৱাৰ পৰিকল্পনা হাতত লৈছে। সম্পূৰ্ণ নিজৰ গাঁঠিৰ ধনেৰে দ্বিপেন্দ্ৰই নিজৰ ঘৰতে এক উৎকৃষ্ট স্বাৱলম্বনৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া কথা যে ব্ৰইলাৰ ফাৰ্মৰ স্বত্বাধিকাৰী দ্বিপেন্দ্ৰই যোৱা দুবছৰে নিজৰ গাঁঠিৰ ধনেৰে ফাৰ্মখন বহলাই আছে যদিও এতিয়ালৈ চৰকাৰীভাৱে এটি ফুটাকড়িও লাভ কৰা নাই। এই ক্ষেত্ৰত শিক্ষিত যুৱক দ্বিপেন্দ্ৰই 'দৈনিক অগ্ৰদূত'-ক কয় যে নিজৰ গাঁঠিৰ ধনেৰে দুবছৰ ফাৰ্ম চলাই জীৱন-নিৰ্বাহ কৰি আছে। পৰিবৰ্তনকামী চৰকাৰে শিক্ষিত যুৱক-যুৱতীৰ বাবে বহুত ঘোষণা কৰিছে। কিন্তু দুখৰ বিষয় আজিলৈ মই কোনো আঁচনিৰ মুখ নেদেখিলো। মই কি ফাৰ্ম কৰিছো সেই সম্পৰ্কত বিভাগীয় কোনো বিষয়াই ফাৰ্মখন আজিলৈ পৰ্যবেক্ষণ নকৰিলে তথাপিও হতাশ হোৱা নাই। নিজৰ গাঁঠিৰ ধন আৰু লাভাংশৰে ফাৰ্মখন চলাই জীৱন-নিৰ্বাহ কৰিছে। তেওঁ জনোৱা মতে সময়ে সময়ে ব্ৰইলাৰৰ চাহিদা বৃদ্ধি হয় আৰু কেতিয়াবা হ্ৰাস পাই। এতিয়া তলাবন্ধৰ পৰিপ্ৰেক্ষিতত ইয়াৰ মূল্য কিছু হ্ৰাস হৈছিল যদিও এতিয়া বৃদ্ধি হৈছে। তাৎপৰ্যপূৰ্ণভাৱে তলাবন্ধৰ বাবে ব্ৰইলাৰৰ মূল্য হ্ৰাস পালেও ব্ৰইলাৰৰ খাদ্যৰ মূল্য হ্ৰাস হোৱাৰ বিপৰীতে যথেষ্ট বৃদ্ধি হৈছে। যাৰ ফলত তলাবন্ধৰ সময়ছোৱাত কিছু লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছিল। উল্লেখ্য যে ফাৰ্মখনৰ ব্ৰইলাৰ কিলো-ডেৰকিলো হোৱাৰ পাছত নলবাৰী হাটখোলা বজাৰৰ খুচুৰা মাংস বেপাৰীসকলৰ উপৰি স্থানীয় বজাৰ চ'কৰ বেপাৰীসকলে বিক্ৰীৰ বাবে নিয়ে। ব্ৰইলাৰ মাংসৰ বজাৰৰ অভাৱ নাই যদিও পৰিস্থিতিৰ বাবে কিছু দুৰ্যোগৰ মুখত পৰিছিলো যদিও বৰ্তমান ফাৰ্মৰ লাভাংশৰে নিজৰ লগতে পৰিয়াল চলাবলৈ সক্ষম হৈছে বুলি কয়।

# কলঙৰ বুকুৰে 'পিনিচ' জাহাজ লৈ আউনীআটি সত্ৰাধিকাৰ অহা চামগুৰি

বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধিশালী বিভিন্ন জনগোষ্ঠীৰ বসতিস্থলক সামৰি লৈ হৈছে চামগুৰি; কিন্তু চামগুৰি বুলি ক'লে সাধাৰণতে অতীজৰে পৰা আউনীআটী খুটাৰকাণ সত্ৰৰ অতীতৰ গ্ৰহচুক, নপাম চুক, কুঁৱাপাৰ চুক, মুচিপট্টি, মেতুৰপট্টি, লালঘাট, মাজৰআটি আদিক সামৰি চামগুৰি তিনিআলিকে চামগুৰি বুলি কয়।



**শুৱনি আমাৰ গাঁওখনি**

**■ বিবেকানন্দ শইকীয়া**

**নগাঁও** লোকৰ মন প্ৰাণ সজীৱ কৰি ৰখা এসময়ৰ চঞ্চলা, চপলা, প্ৰাণোচ্ছ্বল কলং সুঁতিৰ পাৰত চামগুৰি। ডাকঘৰৰ অথবা চৰকাৰী ঠিকনাত চামগুৰি গাঁও বুলি থাকিলেও প্ৰকৃততে চামগুৰি বুলি কোনো ৰাজহ গাঁও নাই। বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধিশালী বিভিন্ন জনগোষ্ঠীৰ বসতিস্থলক সামৰি লৈ হৈছে চামগুৰি; কিন্তু চামগুৰি বুলি ক'লে সাধাৰণতে অতীজৰে পৰা আউনীআটী খুটাৰকাণ সত্ৰৰ অতীতৰ গ্ৰহচুক, নপাম চুক, কুঁৱাপাৰ চুক, মুচিপট্টি, মেতুৰপট্টি, লালঘাট, মাজৰআটি আদিক সামৰি চামগুৰি তিনিআলিকে চামগুৰি বুলি কয়। তাহানিৰ পৰা চামগুৰিৰ লোকসকল কৃষি আৰু ব্যৱসায়ৰ লগত জড়িত হৈ আছে। চামগুৰি নামটোৰ উৎপত্তি সম্বন্ধে চামগুৰিৰ শিল্পী পেঞ্চনাৰ প্ৰয়াত হেম বৰুৱাই লিখি থৈ গৈছে চামগুৰি বিলৰ পাৰত বহুতো ছাম গছ আছিল। তাৰ পৰাই চামগুৰি নামটোৰ উৎপত্তি হয়। অশ্বখুৰা আকৃতিৰ কৰতি মাছৰ বাবে বিখ্যাত এই বিলখনক 'মাইহাং' গোষ্ঠীয়ে পক্ষীতীৰ্থ নাম দিয়ে। পৰৱৰ্তী সময়ত। প্ৰদূষণৰ বাবে এতিয়া বিলখনলৈ শীতকালীন পৰিব্ৰাজক পক্ষী নহা হ'ল। নগাঁও জিলাৰ ৩৭ নম্বৰ ঘাইপথৰ দুয়োপাৰে অৱস্থিত এই গাঁওখন বৰ্তমান ব্যৱসায়িক কেন্দ্ৰস্থলীলৈ পৰিণত হৈ পূৰ্বৰ গাঁৱৰ স্বকীয়তা হেৰুৱাই পেলালে। ফাকুৱাত দেচুৱালী সম্প্ৰদায়ৰ লোকে ডাফলি বজাই হলী গীত গোৱা, চাহ জনগোষ্ঠীৰ লোকে লাঠি লৈ গীত গাই মানুহৰ ঘৰে ঘৰে আনন্দ কৰা, বিশ্বকৰ্মা পূজাত এএছইবি কল'নীত চিনেমা চাবলৈ যোৱা, বৰষুণ ন'হ'লে বাজিয়াগাঁৱৰ মুছলিম সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে হাতত থাল-বাটি লৈ চামগুৰিৰ অসমীয়া মানুহৰ ঘৰে ঘৰে নিশা আল্লা মেঘ দেও, পানী দেও, ছায়া দেওৰে তুই আল্লা মেঘ দেও..... বুলি গীত গাই বৰষুণ মতা আদি মুহূৰ্তবোৰ দেখিবলৈ নোহোৱা হ'ল বুলি চামগুৰিৰ অতীত ৰোমন্থন কৰি বহু লোকে কয়। চামগুৰি বুলি ক'লে সাধাৰণতে যিখিনি ঠাই বুলি বুজা যায় প্ৰকৃততে সেই ঠাইখিনি আউনীআটী খুটাৰকাণ শাখা সত্ৰ। খুটাৰকাণ সত্ৰ বুলি কিয় হ'ল চামগুৰিৰ বহু মানুহৰ লগত যোগাযোগ কৰা হৈছিল যদিও কোনেও এই সমন্ধে তথ্য দিব নোৱাৰিলে। ১৯৪৮ শকত ইংৰাজী ১৮১৯ত সেই সময়ৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী কুশদেৱ প্ৰভুৱে চামগুৰিত আউনীআটী সত্ৰ স্থাপন কৰে। এই সত্ৰৰ স'তে কাষৰীয়া কুৰুৱাবাহী আৰু কুৰুৱাবাহী বড়ো গাঁৱক সামৰি লয়। মাজুলীৰ পৰা নজন ভকত আহি সত্ৰৰ যাৱতীয় কাম-কাজ পৰিচালনা কৰে। সত্ৰৰ কীৰ্তনঘৰৰ খুঁটাৰ কাণ এটি কাটি এটি চাৰিচলীয়া ঘৰেৰেই প্ৰথমে শাখা সত্ৰৰ কাম আৰম্ভ কৰা হয় বাবে সত্ৰৰ নাম 'খুটাৰকাণ সত্ৰ' ৰখা হয়। আজিও এই নামেৰে সত্ৰখনিক আউনীআটীয় খুটাৰকাণ শাখা সত্ৰৰূপে পৰিচিত। এই সম্পৰ্কে চামগুৰিৰ বৰ্তমান নগাঁও চহৰৰ বাসিন্দা অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া প্ৰদীপ প্ৰসাদ শইকীয়াই কয়, 'বৰ্তমানৰ সত্ৰৰ নামঘৰৰ ঠাইতে মাজুলীৰ আঁহতগুৰিৰ পৰা কেইজনমান ভকত বৈষ্ণৱ আহি সত্ৰভাগ প্ৰতিষ্ঠা কৰি বসতি কৰিছিল। নামঘৰ পৰিচালনা কৰিবৰ পূজাৰী আছিল; এতিয়াও আছে।' আনহাতে, চামগুৰিৰ শিল্পী পেঞ্চনাৰ প্ৰয়াত হেম বৰুৱাই তেওঁৰ আত্মজীৱনীত লিখিছে, 'তাহানি যানবাহন নথকাত কলঙত নাৱেৰেই মানুহ অহা-যোৱা কৰিছিল। তাহানি জাহাজো চলিছিল। এবাৰ সত্ৰাধিকাৰ প্ৰভুৱে তেওঁৰ 'পিনিচ নামৰ সৰু জাহাজখনি লৈ সত্ৰৰ বুজ ল'বলৈ আহি কলঙৰ ঘাটতে বৈছিল।'

চামগুৰি সাধাৰণতে কৃষি প্ৰধান অঞ্চল। আজিৰ পৰা ১৫ বছৰমান আগলৈকে প্ৰাথমিক বিদ্যালয়ত চিঞৰি চিঞৰি পঢ়া 'শুৱনি আমাৰ গাঁওখন অতি, শুৱনি গছেৰে ভৰা, ডাল ভৰি ভৰি ফলমুল লাগে, ক'ত পাওঁ তলসৰা' কবিতাটো চামগুৰিত প্ৰযোজ্য হৈছিল। চামগুৰিৰ লোকসকলে ফলমুল, শাক-পাচলি, ধান-মাহ খেতি কৰি নিজেও খাইছিল আৰু চামগুৰিৰ বজাৰত বিক্ৰী কৰি লাভান্বিত হৈছিল; কিন্তু বৰ্তমান মলুৱা বান্দৰৰ উৎপাতত তাহানিৰ



ব্ৰিটিছৰ দিনৰ লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলা

শস্য শ্যামলী চামগুৰিৰ পথাৰ ছন্ন পৰি থকা হ'ল। এসময়ৰ ভৰা কলঙৰ কাষত থকা চামগুৰিৰ আমূল পৰিৱৰ্তন হ'ল, কলঙত পানী নোহোৱা হ'ল। ৰাসত আবেলিৰ পৰা কঠ পাৰি ৰাসলীলা চাবলৈ স্থান আৱদ্ধ কৰি থোৱা পৰিৱেশ নাইকিয়া হ'ল। ফাকুৱাত এমাহ আগৰ পৰা দেচুৱালী সম্প্ৰদায়ৰ লোকে নিশা হ'লেই ঢুলকী, ডাফলি বজাই ফুৰ্তি কৰা পৰিৱেশ এতিয়া দেখিবলৈ নোহোৱা হ'ল। চামগুৰি তিনিআলিত গেলামালৰ দোকান দিয়া, গৰু গাড়ীৰ চকা বনোৱা, চুলি দাঢ়ি কটা নাপিত কেইজনো নাইকিয়া হ'ল। এই সকলো বিলাক অতীতৰ সাক্ষী হৈ ৰ'ল কেৱল চামগুৰিৰ তিনিআলিৰ মাজমজিয়াতে থকা শতিকা প্ৰাচীন তাল গছ জোপা। এই সম্পৰ্কে চামগুৰিৰ অতীত ৰোমন্থন কৰি চামগুৰিৰ লালঘাট বিলপাৰৰ বাসিন্দা বিৰেণ দাসে কয়, 'চামগুৰিত প্ৰথম অৱস্থাত কেইঘৰ মান লোক আছিল। যি কেইঘৰ আছিল তেওঁলোক প্ৰায়েই একে পৰিয়ালৰ। বৰ্তমান চামগুৰিত বহু বাহিৰৰ লোক আহি বসতি কৰিবলৈ ধৰিলে। পূৰ্বৰ চামগুৰি বৰ্তমান হৈ থকা নাই। অতীজত চামগুৰিৰ ৰাস পাতিবলৈ হ'লে হজ কৰে। আগদিনা আবেলি নাদুকা কাকাইদেউৱে চিঞৰি চিঞৰি গাঁৱত কৈ যায় হজ কৰাৰ কথা। সেই অনুযায়ী সকলো মিলি বৰতি কাটি ৰভা দি, তলত তিৰপাল পাৰি আৰু ৰভাৰ কাষত তামোল গছ ফালি চাং বনাই মানুহ বহিবলৈ সুবিধা কৰি দিছিল। আবেলি হ'লেই গাঁৱৰ ল'ৰা-ছোৱালীয়ে কঠ, ঢাৰি পাৰি ৰাস চাবলৈ স্থান সংৰক্ষণ কৰি থৈছিল। লিলি বাইদেউ আৰু যোগ দাসে হাতত বাঁহৰ এচাৰি লৈ নামঘৰত গাঁৱৰ ছোৱালীক ৰাস শিকাইছিল। ইয়াৰ পূৰ্বে চামগুৰিত ল'ৰা ৰাস হৈছিল। ল'ৰা ৰাসত মৰাপাটৰ চুলি বনাই গোপীৰ শাৰীৰ প্ৰথমগৰাকী আছিল বৰ্তমান জীয়াই থকা ফুল দাসৰ স্বামী ৰজনী দাস। তেওঁ এজন খুলীয়াও আছিল। ৰাস বুলি ক'লে ধন্তি বলিয়া। গায়ন বায়নৰ জোৰাৰ লগত তাল সি বজাবই। চেনী ৰাজখোৱাই নাট চাই আৰু বায়ন আছিল মিঠাৰাম শইকীয়া, মিতেশ্বৰ দাস আৰু খৰ্গেশ্বৰ শইকীয়া। বৰ্তমান চামগুৰিত বায়ন নাই যদিও বুবু ঠাকুৰীয়া আছে যদিও বায়নৰ স্থান ল'ব পৰাগৈ নাই।' এইদৰে নষ্টালজিক হৈ বিৰেণ দাসে পুনৰ কয়, 'চামগুৰি তিনিআলিত দোকান দিয়া দেচুৱালী মুখা ঠাকুৰ, বীৰ বাহাদুৰ, বীৰ কিশোৰ, পৰমেশ্বৰ সৌসিদিনা চামগুৰিৰ পৰা যোৱা বিজুলীৰ দেউতাক লখী ঠাকুৰ, ধুনীয়ালা কেইজনে ফাকুৱাৰ এমাহ আগৰ পৰা প্ৰতি নিশাই ডাফলি, ঢুলকী বজাই ফুৰ্তি কৰা সেই পৰিৱেশ এতিয়া নাই। দেচুৱালী লোক সকলো চামগুৰিৰ পৰা গুচি গ'ল। কালৰ গতিত সকলো হেৰাই গ'ল। সেই কথাবোৰ মনত পৰিলে গাটো ৰিমঝিম ৰিমঝিম কৰে এতিয়া।



বিৰেণ দাস



চামগুৰি আউনীআটি খুটাৰকাণ শাখা সত্ৰ

এতিয়াও চামগুৰিত ৰাস, দুৰ্গা পূজা অনুষ্ঠিত হৈ আছে।


ক্ৰীড়া, সাহিত্য, কলা-সংস্কৃতি, স্বাধীনতা সংগ্ৰাম, অসম আন্দোলন সকলোতে অংশগ্ৰহণ কৰিছিল চামগুৰিৰ লোকসকলে। ব্ৰিটিছৰ দিনৰ চামগুৰিৰ গড়কাপ্তানী বিভাগৰ শতবৰ্ষীয় পৰিদৰ্শন ভৱনটোতে দেশ স্বাধীন হোৱাৰ পাছত প্ৰথমখন পতাকা উত্তোলন কৰিছিল চামগুৰিৰ নিবাসী তাম্ৰ পত্ৰধাৰী স্বাধীনতা সংগ্ৰামী প্ৰয়াত শান্তি ৰাম দাসে। ইয়ং স্প'ৰ্টিং ক্লাৱ, চামগুৰি ক্ৰীড়া সন্থাৰ দৰে অনুষ্ঠানৰ পৰা ৰাজ্যিক পৰ্যায়ৰ ফুটবল, ভলীবল খেলুৱৈ লক্ষ্মী দাস, ৰাজজ্যোতি বৰাৰ দৰে খেলুৱৈ ওলাইছিল। সাহিত্য, কলা-সংস্কৃতিৰ বিষয়ে উল্লেখ কৰি চামগুৰিৰ বৰ্তমান নগাঁও নগৰৰ বাসিন্দা অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া প্ৰদীপ প্ৰসাদ শইকীয়াই কয়, 'চামগুৰিত নগাঁও নেহৰুবালিৰ সমান্তৰালকৈ ভোগালী বিহু পতা হৈছিল। ভোগালী বিহু পতা হৈছিল চামগুৰিৰ ভোগাই বৰাৰ পথাৰত। পৰৱৰ্তী সময়ত বানপানীৰ বাবে চামগুৰি হাইস্কুল খেলপথাৰত অনুষ্ঠিত কৰা ব'হাগ বিহু উদ্‌যাপন কৰা হয় মাঘ বিহু উদ্‌যাপন কৰা বৰদৈচিলা পথাৰত।' চামগুৰি এখন ক্ষুদ্ৰ ভাৰতৰ সংস্কৰণ বুলি উল্লেখ কৰি তেওঁ পুনৰ কয়, 'এই চামগুৰিৰ লোকে উদাৰ মনোভাৱ লৈ নিজৰ মাটি দি হৰিজন, মুচি, ধুবী আদি লোকক থাকিবলৈ সুবিধা দিছিল। ৰছিদ জামানৰ দৰে লোকে সত্যনাৰায়ণ পূজাৰ প্ৰসাদ খাইছিল। দেচুৱালী, বড়ো, কছাৰী, চাহ জনগোষ্ঠী, ৰাভা, বাঙালী, মাৰোৱাৰী, মুছলিম সম্প্ৰদায়ৰ লোকে মিলাপ্ৰীতিৰে বসবাস কৰি আছিল আৰু কৰি আছে। ক্ৰীড়াৰ ক্ষেত্ৰতো চামগুৰিৰ সুনাম আছে। লালঘাটৰ দেৱকান্ত বৰুৱা ষ্টেডিয়ামত খেল অনুষ্ঠিত হৈছিল। পৰীক্ষা দি উত্তীৰ্ণ হোৱা কে'বাজনো ৰেফাৰী চামগুৰিৰে আছিল। চামগুৰিৰ শিক্ষা, ক্ৰীড়া, নাটক আদিৰ কথা উল্লেখ কৰি তেওঁ কয়, 'লালঘাটৰ দেৱকান্ত বৰুৱা ষ্টেডিয়ামত ইয়ং স্প'ৰ্টিং ক্লাৱে অনুষ্ঠিত কৰি জিলাৰ 'বি' ডিভিজন ফুটবল খেলৰ সমপৰ্যায়ৰ কিৰণ বৰুৱা মেম'ৰিয়েল শ্বিল্ড নুৰুল আমিন চাহাবে আহি নিজে বিতৰণ কৰিছিল। তেতিয়াৰ শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱাই দুয়োপক্ষৰ খেলুৱৈক বুট জোতা দিছিল।' মঞ্চৰূপা, মিলন নাট্য সমাজ আদি অনুষ্ঠানসমুহে পিয়লি ফুকন, টেক্সি ড্ৰাইভাৰ আদিৰ দৰে নাট মঞ্চস্থ কৰিছিল। বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত হোৱা সূৰ্য বৰা একাংক নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি চামগুৰিলৈ শ্ৰেষ্ঠ পৰিচালক, অভিনেতাৰ বঁটা কঢ়িয়াই আনিছিল। বৰ্তমান চামগুৰিৰ যিটো ৰাজহুৱা পুথিভঁৰাল আছে সেইটো প্ৰথমে কুমলীয়া লাইব্ৰেৰী বুলি আছিল। পাছলৈ পুথিভঁৰালটো চামগুৰি ৰাজহুৱা পুথিভঁৰাল নামকৰণ হয় বুলি উল্লেখ কৰি তেওঁ পুনৰ কয়, 'চামগুৰিত শিক্ষিত আৰু বৌদ্ধিক শ্ৰেণীটোৰ লগত অশিক্ষিতসকলৰ এটা অহি-নকুল সম্পৰ্ক দেখা যায় যাৰ বাবে আগৰ চামগুৰিৰ গৌৰৱ এতিয়া শেষ হ'ল বুলি খেদ প্ৰকাশ কৰে। ১৯৪২ৰ পৰা ১৯৭০লৈকে এই সময়ছোৱাক চামগুৰিৰ সংস্কৃতিৰ স্বৰ্ণযুগ বুলি ক'ব পাৰি। কলা-সংস্কৃতি, ক্ৰীড়াৰ সমন্বয় ঘটিছিল। সাংস্কৃতিক বিকাশ কেন্দ্ৰ, মিলন নাট্য সমাজ, চম্পাৱতী নাট্য সমাজ, যুৱ মঞ্চ আদিয়ে চামগুৰিৰ স্বকীয় বৈশিষ্ট্য ধৰি ধৰি ৰাখিছিল। বৰ্তমান মিৰদান নাট্যগোষ্ঠী, চামগুৰি ক্ৰীড়া সন্থা এই ধাৰা অব্যাহত ৰাখিছে। 'সৃষ্টি' নামৰ সামাজিক আৰু সাংস্কৃতিক সংগঠনে সংস্কৃতিৰ ক্ষেত্ৰত চামগুৰিক এঢাপ আগবঢ়াবলৈ ধৰোতে কেতবোৰ বাহিৰৰ মানুহ প্ৰদীপ প্ৰসাদ শইকীয়াই কোৱাৰ দৰে শিক্ষিত আৰু বৌদ্ধিক শ্ৰেণীটোৰ লগত অশিক্ষিতসকলৰ এটা অহি-নকুল সম্পৰ্কৰ বাবে আৰু কুৰুচিপুৰ্ণ বদনাম উলিওৱাৰ বাবে তেওঁলোকো আগবাঢ়ি নহা হ'ল। তদুপৰি মানুহৰ মনবোৰ আগৰ সৰলতাৰ পৰিৱৰ্তে ব্যৱসায়িক মনোভাৱৰ হ'ল। পূৰ্বৰ গাঁৱৰ পৰিৱেশ হেৰুৱাই বিলাসী ৰেস্তোৰাঁ, টুৰিষ্ট ল'জ, থানা, চক্ৰ বিষয়াৰ অফিচ লোকনিৰ্মাণ কাৰ্যালয়, বন বিভাগৰ কাৰ্যালয়, ষ্টেডিয়াম, কলেজ, ইংৰাজী মাধ্যমৰ কে'বাখনো বিদ্যালয়, সমাজ কল্যাণ বিভাগৰ কাৰ্যালয়, শিক্ষা বিভাগ, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, বেংক, পোষ্ট অফিচ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, দোকান-পোহাৰ বৃদ্ধিৰে চামগুৰি বৰ্তমান চহৰাঞ্চললৈ পৰিৱৰ্তন হ'ল।



প্ৰদীপ প্ৰসাদ শইকীয়া

### সন্মুখত নৱাগত স্কটলেণ্ড ঃ আফগানিস্তানক হৰুৱাই আশাৰ প্ৰত্যাৱৰ্তন

# আজি টীম ইণ্ডিয়াৰ দ্বিতীয় অগ্নিপৰীক্ষা



**আবুঢাবি, ৪ নৱেম্বৰ ঃ** চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ ভাৰতীয় দলে নিজৰ চতুৰ্থখন গ্ৰুপ মেচ খেলিব স্কটলেণ্ডৰ বিৰুদ্ধে। গ্ৰুপৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ কাৰণে ভাৰতৰ বাবে এতিয়া বাকী থকা দুয়োখন মেচে মৰণপণ। কাইলৈ স্কটলেণ্ডৰ বিৰুদ্ধে খেলাৰ পাছত অহা আঠ নৱেম্বৰত টীম ইণ্ডিয়া মুখামুখি হ'ব নামিবিয়াৰ। উল্লেখ্য যে ভাৰতে চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত নিৰ্লজ্জ প্ৰদৰ্শন কৰি ব্যৰ্থতাৰে অভিযান আৰম্ভ কৰিছে। প্ৰথম মেচতে পাকিস্তানে ভাৰতক দহ উইকেটত পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত টীম ইণ্ডিয়া নিউজিলেণ্ডৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হয়। এতিয়া ছেমিফাইনেললৈ যোগ্যতা অৰ্জনৰ আশা পাৰিসংখ্যাৰ মাজত আবদ্ধ ভাৰতীয় দলৰ বাবে। কিন্তু যোৱা মেচত টীম ইণ্ডিয়াই আফগানিস্তানক বৃহৎ ব্যৱধানত হৰুৱাই চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথম জয় অৰ্জন কৰাৰ লগতে আশা সজীৱ ৰখাৰ প্ৰত্যাৱৰ্তন কৰিছে। কাইলৈৰ মেচতো টীম ইণ্ডিয়াই একে ধাৰাৰে খেলাৰ বাবে সাজু হৈছে। দলৰ মূল একাদশত কোনো সালসলনি নহয়। আফগানিস্তানৰ বিৰুদ্ধে খেলা এঘাৰজনীয়া দলেই কাইলৈও খেলিব। প্ৰথম দুখন মেচত অভিজ্ঞ ৰবিচন্দ্ৰন অশ্বিনক দলত অন্তৰ্ভুক্ত নকৰি বিৰাট কোহলিয়ে যি ভুল কৰিছিল তথা তাৰ ভয়াবহ পৰিনাম পাইছে সেয়া মেচত আফগানিস্তানৰ বিৰুদ্ধে শুধৰনি কৰিছে লগতে সফলো হৈছে। ভাৰতীয় দলে হেৰুওৱা আত্মবিশ্বাস ঘুৰাই পাইছে। ৰাহুল আৰু ৰোহিতৰ অপেনিং যুটীয়ে দলৰ বেটিং বিভাগক নতুন শক্তি দিছে। গতিকে কাইলৈ মেচত স্কটলেণ্ডৰ বিৰুদ্ধেও ভাৰতে দৃঢ়তাপূৰ্ণ জয় অৰ্জন কৰিব বুলি সমৰ্থকে আশা কৰিছে। বিপৰীতে অনুৰাগীয়ে দৃষ্টি ৰাখিব ছেমিফাইনেলৰ বাবে হ'ব লগা অংকৰ খেলত। উল্লেখ্য যে বিৰাট কোহলিৰ নেতৃত্বত চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত অংশ লোৱা ভাৰতীয় দলৰ সদস্যসকল হ'ল-ৰোহিত শৰ্মা, লোকেছ ৰাহুল, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, ইষাণ কিষান, হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, ৰাহুল চাহাৰ, ৰবীচন্দ্ৰন অশ্বিন, ছাৰ্দুল ঠাকুৰ, বৰুণ চক্ৰৱৰ্তী, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ আৰু মহম্মদ ছামি।

### ক্ৰমাগত পাঁচখন মেচত পৰাস্ত হৈ ঘৰলৈ উভতিল বাংলাদেশ

## নায়ক জাম্পা, অষ্ট্ৰেলিয়াৰ জয়




**ডুবাই, ৪ নৱেম্বৰ ঃ** চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ডুবাইত হোৱা মেচত অষ্ট্ৰেলিয়াই হেলাৰঙে আঠ উইকেটত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি বাংলাদেশে 20 অভাৰৰ পূৰ্বেই 15 অভাৰত 73 ৰাণ কৰি আটাইকেইটা উইকেট হেৰুৱায়। দলৰ এই ব্যৰ্থতাৰ মূলতে হ'ল অষ্ট্ৰেলিয়াৰ স্পীনাৰ আদাম জাম্পাৰ ঘাতক বলিং। 19 ৰাণত পাঁচটা উইকেট দখল কৰে জাম্পাই। আনহাতে, মিচেল ষ্টাৰ্ক আৰু জ'ছ হাজলউদে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই 6.2 অভাৰতে দুটা উইকেট হেৰুৱাই 78 ৰাণ কৰি হেলাৰঙে আঠ উইকেটত পৰাস্ত কৰে বাংলাদেশক। এৰন ফিঞ্চে কৰে 40 ৰাণ। উল্লেখ্য যে এয়া বাংলাদেশৰ ক্ৰমাগত পঞ্চম পৰাজয় আৰু ব্যৰ্থতাৰে স্বদেশলৈ উভতিল দলটো। বিপৰীতে আজিৰ জয়ৰ পাছতো অষ্ট্ৰেলিয়াৰ ছেমিফাইনেল নিশ্চিত হোৱা নাই। কাৰণ এই গ্ৰুপত ছয় পইণ্টকৈ লাভ কৰি আছে অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাই। আঠ পইণ্টৰে শীৰ্ষত ইংলণ্ড। দলৰ ছেমিফাইনেল প্ৰায় নিশ্চিত হৈছে।

## আজিৰ নিউজিলেণ্ড-নামিবিয়াৰ মেচতো দৃষ্টি থাকিব ভাৰতীয় দলৰ




**ডুবাই, ৪ নৱেম্বৰ ঃ** চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ হ'বলগা প্ৰথমখন মেচত নিউজিলেণ্ড মুখামুখি হ'ব নামিবিয়াৰ। এই মেচৰ গুৰুত্ব ভাৰতীয় দলৰ বাবেও আছে। উল্লেখ্য যে গ্ৰুপৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ কাৰণে ভাৰতৰ বাবে এতিয়া বাকী থকা দুয়োখন মেচে মৰণপণ। কাইলৈৰ দ্বিতীয় মেচত স্কটলেণ্ডৰ বিৰুদ্ধে খেলাৰ পাছত অহা আঠ নৱেম্বৰত টীম ইণ্ডিয়া মুখামুখি হ'ব নামিবিয়াৰ। উল্লেখ্য যে ভাৰতে চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত নিৰ্লজ্জ প্ৰদৰ্শন কৰি ব্যৰ্থতাৰে অভিযান আৰম্ভ কৰিছে। প্ৰথম মেচতে পাকিস্তানে ভাৰতক দহ উইকেটত পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত টীম ইণ্ডিয়া নিউজিলেণ্ডৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হয়। এতিয়া ছেমিফাইনেললৈ যোগ্যতা অৰ্জনৰ আশা পাৰিসংখ্যাৰ মাজত আবদ্ধ ভাৰতীয় দলৰ বাবে। কিন্তু যোৱা মেচত টীম ইণ্ডিয়াই আফগানিস্তানক বৃহৎ ব্যৱধানত হৰুৱাই চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথম জয় অৰ্জন কৰাৰ লগতে আশা সজীৱ ৰখাৰ প্ৰত্যাৱৰ্তন কৰিছে। কেৱল জয় ভাৰতৰ বাবে ছেমিফাইনেললৈ যোগ্যতাৰ পথ নহয়। ইয়াৰ বাবে নিউজিলেণ্ড এখন মেচত পৰাস্ত হ'ব লাগিব। সেয়ে কাইলৈৰ নিউজিলেণ্ড আৰু নামিবিয়াৰ মেচ ভাৰতৰ বাবেও গুৰুত্বপূৰ্ণ। এই গ্ৰুপৰ পৰা পাকিস্তান ইতিমধ্যে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে নিউজিলেণ্ডে ভাৰত আৰু স্কটলেণ্ডক পৰাস্ত কৰাৰ বিপৰীতে পাকিস্তানৰ হাতত পৰাস্ত হৈছে। আনহাতে, স্কটলেণ্ডক পৰাস্ত কৰা নামিবিয়াই পাকিস্তান আৰু আফগানিস্তানৰ বিৰুদ্ধে পৰাজয় স্বীকাৰ কৰিছে। নিউজিলেণ্ড শক্তিশালী যদিও নামিবিয়াই অঘটন ঘটাব পাৰে। ভাৰতীয় সমৰ্থকে সেয়াই কামনা কৰিছে।



### প্ৰথম তিনি মেচত পৰাস্ত

## আজি চাপমুক্ত হৈ খেলিব স্কটলেণ্ড দলে



**আবুঢাবি, ৪ নৱেম্বৰ ঃ** প্ৰথমবাৰৰ বাবে চলিত আই চি চি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত খেলা স্কটলেণ্ড দলে কাইলৈ নিজৰ চতুৰ্থখন গ্ৰুপ মেচ খেলিব ভাৰতীয় দলৰ বিৰুদ্ধে। উল্লেখ্য যে যোগ্যতা অৰ্জনকাৰী গ্ৰুপত স্কটলেণ্ড ক্ৰিকেট দলে অনবদ্য প্ৰদৰ্শন কৰিছিল যদিও মূল গ্ৰুপত এতিয়ালৈকে জয় মুখ দেখা নাই। সেয়ে দলৰ বিদায় ইতিমধ্যে নিশ্চিত হৈছে। নিউজিলেণ্ড, নামিবিয়া আৰু আফগানিস্তানে পৰাস্ত কৰিছে স্কটলেণ্ডক। কাইলৈ নিজৰ চতুৰ্থখন গ্ৰুপ মেচ খেলিব ভাৰতীয় দলৰ বিৰুদ্ধে। আনহাতে, অন্তিম মেচত মুখামুখি হ'ব পাকিস্তানৰ। যিহেতু দলৰ বিদায় ইতিমধ্যে নিশ্চিত হৈছে সেয়ে কাইলৈ নিজৰ চতুৰ্থখন গ্ৰুপ মেচত চাপমুক্ত হৈ স্কটলেণ্ডে খেলিব ভাৰতীয় দলৰ বিৰুদ্ধে।

### ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতা

## প্ৰথম মেচতে মধ্য প্ৰদেশৰ বিৰুদ্ধে পৰাজয়ৰ সন্মুখীন অসম

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** অসম ক্ৰিকেট দলে আজিৰে পৰা আৰম্ভ হোৱা ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাত পৰাজয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে নতুন দিল্লীত অনুষ্ঠিত হোৱা মেচত অসম ক্ৰিকেট দলক ছয় উইকেটত সহজে পৰাস্ত কৰে মধ্য প্ৰদেশে। মেচখনত পোনতে বেটিং কৰা অসমে নিৰ্ধাৰিত 20 অভাৰত ন উইকেট হেৰুৱাই সংগ্ৰহ কৰে 103 ৰাণ। দলৰ হৈ সৰ্বাধিক 35 ৰাণ কৰে অভিষেক ঠাকুৰীয়ে। আনহাতে, পল্লৱ কুমাৰ দাসে 22 ৰাণ কৰে। আই পি এলত নিৰ্লজ্জ প্ৰদৰ্শন কৰি আধাতে দলৰ পৰা বাহিৰ হোৱা তথা সেই গ্লেমাৰৰ বাবেই অসম ক্ৰিকেট সন্থাই দলৰ অধিনায়ক পদ দিয়া ৰিয়ান পৰাগে আজি মাত্ৰ পাঁচ ৰাণ কৰি ব্যৰ্থতাৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে। প্ৰত্যুত্তৰত, মধ্য প্ৰদেশে মাত্ৰ 14 অভাৰতে চাৰিটা উইকেট হেৰুৱাই 105 ৰাণ কৰি অসম ক্ৰিকেট দলক ছয় উইকেটত সহজে পৰাস্ত কৰে। দলৰ হৈ ভেংকটেশ আয়াৰে সৰ্বাধিক 37 ৰাণ কৰে। অসমৰ হৈ ৰৌছন আলমে তিনিটা উইকেট পায়। অসম ক্ৰিকেট দলে কাইলৈ গুজৰাটৰ মুখামুখি হ'ব।

## আই টি এফ টেনিছৰ প্ৰাইজমানি তিনি লাখ টকা

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা গুৱাহাটীত আয়োজন কৰাৰ দায়িত্ব অৰ্পন কৰিছে অসম টেনিছ সন্থাক। সেই অনুসৰি অহা আঠৰ পৰা 12 নৱেম্বৰলৈ গুৱাহাটীৰ চচলত থকা অসম টেনিছ সন্থাৰ নিজস্ব টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা। আনহাতে, 15–20 নৱেম্বৰলৈ একে স্থানতে অনুষ্ঠিত হ'ব আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা। দুয়োখন আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত একক আৰু ডাবলছ শাখাৰ মেচ অনুষ্ঠিত হ'ব। ছিনিয়ৰ প্ৰতিযোগিতাত পুৰুষৰ 35, 45 আৰু 55 বছৰ উৰ্ধৰ তথা মহিলাৰ 35 বছৰ উৰ্ধৰ খেলুৱৈয়ে অংশ ল'ব। আই টি এফ আৰু আইটাৰ পঞ্জিয়ন থকা খেলুৱৈয়েহে এই আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত অংশ ল'ব পাৰিব। প্ৰতিযোগিতাৰ মুঠ প্ৰাইজমানি তিনি লাখ চাৰি হেজাৰ টকা। ইফালে, জুনিয়ৰ প্ৰতিযোগিতাত 18 বছৰ অনূৰ্ধ ল'ৰা-ছোৱালীয়ে অংশ ল'ব। উল্লেখ্য যে মহামাৰী কৰ'নাৰ পাছত অসমত অনুষ্ঠিত হ'বলগা এইখনে হ'ব প্ৰথমখন আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা।



## মুম্বাইৰ বিৰুদ্ধে কৰ্ণাটকৰ জয়লাভ

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** মুম্বাই ক্ৰিকেট দল ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম মেচত পৰাস্ত হৈছে। উল্লেখ্য যে আজিৰে পৰা আৰম্ভ হোৱা ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ এটা গ্ৰুপৰ খেল গুৱাহাটীতো অনুষ্ঠিত হৈছে। গুৱাহাটীৰ বৰ্ষাপাৰা এ চি এ ষ্টেডিয়ামত হোৱা মেচত অংশ লয় মুম্বাই আৰু কৰ্ণাটকে। মেচখনত কৰ্ণাটকে ন ৰাণত পৰাস্ত কৰে মুম্বাইক। পোনতে বেটিং কৰি কৰ্ণাটকে 20 অভাৰত চাৰি উইকেট হেৰুৱাই সংগ্ৰহ কৰে 166 ৰাণ। দলৰ হৈ সৰ্বাধিক 84 ৰাণ কৰে মনীষ পাণ্ডে। আনহাতে কৰুণ নায়াৰে 72 ৰাণ কৰে। ব্যৰ্থ হয় মায়ং আগৰৱাল আৰু পাডিকাল। প্ৰত্যুত্তৰত, মুম্বাই দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই 157 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। মুম্বাইৰ হৈ অজিংক্য ৰাহানে 75 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় পৃথ্বি শ্ব আৰু শিৱম ডুবে।

### ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেট

## বৰোদাৰ বিৰুদ্ধে ছাৰ্ভিচেজৰ জয়

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হোৱা ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ এটা গ্ৰুপৰ খেল গুৱাহাটীতো অনুষ্ঠিত হৈছে। গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামত হোৱা মেচত অংশ লয় বৰোদা আৰু ছাৰ্ভিছেজে। মেচখনত ছাৰ্ভিছেজে দুই উইকেটত পৰাস্ত কৰে বৰোদাক। পোনতে বেটিং কৰি বৰোদাই 20 অভাৰত ন উইকেট হেৰুৱাই সংগ্ৰহ কৰে 124 ৰাণ। দলৰ হৈ সৰ্বাধিক 55 ৰাণ কৰে ভানু পানিয়াই। ব্যৰ্থ হয় ক্ৰুনাল পাণ্ডিয়া। প্ৰত্যুত্তৰত, ছাৰ্ভিছেজে আঠ উইকেটত 128 ৰাণ কৰি জয় অৰ্জন কৰে।

## চত্তিছগড়ক সাত উইকেটত হৰুৱালে বংগই

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** বংগ ক্ৰিকেট দল ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম মেচত জয় অৰ্জন কৰি আশাৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে আজিৰে পৰা আৰম্ভ হোৱা ছিনিয়ৰ ৰাষ্ট্ৰীয় টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ এটা গ্ৰুপৰ খেল গুৱাহাটীতো অনুষ্ঠিত হৈছে। গুৱাহাটীৰ বৰ্ষাপাৰা এ চি এ ষ্টেডিয়ামত হোৱা প্ৰথমখন মেচত অংশ লয় বংগ আৰু চত্তিছগড়ে। মেচখনত বংগই সাত উইকেটত পৰাস্ত কৰে চত্তিছগড়ক। পোনতে বেটিং কৰি চত্তিছগড়ে 20 অভাৰত সাত উইকেট হেৰুৱাই সংগ্ৰহ কৰে 118 ৰাণ। দলৰ হৈ সৰ্বাধিক 73 ৰাণ কৰে অখিলে। প্ৰত্যুত্তৰত, বংগ দলে 17 অভাৰত তিনি উইকেট হেৰুৱাই 119 ৰাণ কৰি জয় অৰ্জন কৰে। দলৰ হৈ সুদীপ চেতাৰ্জীয়ে 51 ৰাণ কৰে।




### গুৱাহাটীত আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা

## পাঁচ বিদেশী ৰাষ্ট্ৰৰ খেলুৱৈৰ অংশগ্ৰহণ নিশ্চিত ঃ আইটা

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** অহা আঠৰ পৰা 12 নৱেম্বৰলৈ গুৱাহাটীৰ চচলত থকা অসম টেনিছ সন্থাৰ নিজস্ব টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব আই টি এফ ছিনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা। আনহাতে, 15–20 নৱেম্বৰলৈ একে স্থানতে অনুষ্ঠিত হ'ব আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা। উক্ত আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত দেশৰ লগতে বিদেশৰ খেলুৱৈয়ে অংশ ল'ব। ইতিমধ্যে পাঁচখন বিদেশী ৰাষ্ট্ৰৰ খেলুৱৈয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই আজি এই কথা অৱগত কৰিছে। দুয়োখন আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত একক আৰু ডাবলছ শাখাৰ মেচ অনুষ্ঠিত হ'ব। অসম টেনিছ সন্থাই ইয়াৰপূৰ্বে যোৱা মাহত দুখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতা সফলতাৰে আয়োজন কৰিছে। মহামাৰী কৰ'নাৰ পাছত সেয়া আছিল অসমত অনুষ্ঠিত হোৱা প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা। উল্লেখ্য যে চচলত হোৱা অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা দুখনত ল'ৰা আৰু ছোৱালীৰ একক তথা ডাবলছ শাখাৰ মেচ হৈছিল তথা উক্ত ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনত দেশৰ 14 খন ৰাজ্যৰ প্ৰায় 150 গৰাকী খেলুৱৈয়ে অংশ লয়। সেই সফলতাৰ বাবে এইবাৰ আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে দুখনকৈ আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতা গুৱাহাটীত আয়োজন কৰাৰ দায়িত্ব অৰ্পন কৰিছে অসম টেনিছ সন্থাক।




## চেম্পিয়নছ লীগ ফুটবলৰ প্ৰি-কোৱাৰ্টাৰত লিভাৰপুল

**লণ্ডন, ৪ নৱেম্বৰ ঃ** লিভাৰপুলে চেম্পিয়নছ লীগ ফুটবলৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চেম্পিয়নছ লীগ ফুটবলৰ প্ৰাক্তন চেম্পিয়ন ইংলিছ ক্লাব লিভাৰপুলে যোৱানিশাৰ মেচত 2–0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব এথলেটিকো মাদ্ৰিদক। ইফালে, অন্তিম 16 ত স্থান নিশ্চিত কৰিছে এজাক্স দলেও। চেম্পিয়নছ লীগ ফুটবলৰ যোৱানিশাৰ অন্য মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ 2–1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছাখতাৰক। ইফালে, ইটালীৰ ক্লাব ইণ্টাৰ মিলানে 3–1 গ'লৰ ব্যৱধানত জয় অৰ্জন কৰে। চেম্পিয়নছ লীগ ফুটবলৰ প্ৰাক্তন চেম্পিয়ন ইংলিছ ক্লাব মানচেষ্টাক চিটীয়েও 4–1 গ'লৰ ব্যৱধানত জয় অৰ্জন কৰে। কিন্তু মেছি অবিহনে খেলা ফৰাচী ক্লাব পি এছ জিয়ে জাৰ্মান ক্লাব লেইপজিগৰ লগত 2–2 গ'লৰ ব্যৱধানত ড্ৰ খেলিবলৈ বাধ্য হয়। একেদৰে ইটালীৰ ক্লাব এ চি মিলানেও 1–1 গ'লৰ ব্যৱধানত ড্ৰ খেলে প'ৰ্টোৰ লগত।



## বিলাসনন্দন চ'ৰা



# বিদেশী বোমা

**কৰ'নাই** লম্ভাৰ পাছত এই প্ৰথমবাৰলৈ দিল্লীৰ বাদশ্বাহ ফৰেইন ট্যুৰ কৰিবলৈ গ'ল। মানে বিদেছ যাত্ৰা। দিল্লীৰ ৰাজসিংহাসনত বহাৰ পাছত বাদশ্বাহে কমতো বিদেছ-ট্যুৰ কৰা নাছিল। নিজৰ দেছত থকাৰ টাইমেই পোৱা নাছিল তেওঁ। চেনেল-পেপাৰত খবৰ ওলাইছিল, ব্ৰেকিং নিউজ ওলাইছিল— আজি দেছৰ বাদশ্বাহ দেছলৈ আহিব। বিদেছলৈ গৈ বাদশ্বাহে কি কি যে কাৰনামা কৰা নাছিল! হাউদী-ৰাউদী-বৰবাদী... কত যে কিমান কাৰনামা! এই কাৰনামাবোৰ কৰি আমাৰ বাদশ্বাহেও বৰ মজা পাইছিল! ঘৰে ঘৰে গৈ এন আৰ আইবোৰক বিয়াত মতাদি মতা, এটা জাগাত সিহঁতক একগোট কৰা, ফিল্মী ছুপাৰষ্টাৰৰ নিচিনাকৈ হাত জোঁকাৰি জোঁকাৰি ষ্টেজলৈ অহা, আগৰ পৰাই চিঞৰিবলৈ কোৱা এন আৰ আইবোৰে ঘড়ী বা ম'বাইল চাই চাই বাদশ্বাহৰ জয়গান গোৱা, বাদশ্বাহৰ প্ৰতিটো কথাতে ইভেণ্ট মেনেজাৰে দিয়া অৰ্ডাৰ মতে 'জয় হো' 'জয় হো' বুলি আটাহ পাৰা, এইবোৰ চাই বাদশ্বাহে বৰ মজা পাইছিল। এই মজাখিনি লুটিবলৈও আমাৰ বাদশ্বাহে বাৰে বাৰে বিদেছলৈ যোৱা বুলিও বহুতে কয়। কথাটো বৰ এটা সঁচা নহয়। দিল্লীৰ বাদশ্বাহে আমাৰ দেছৰ কাৰণে চিন্তা কৰি বিদেছে বিদেছে ঘূৰি ফুৰিছিল। এবাৰ হেনো বাদশ্বাহ জাপানলৈ গৈছিল। ফুৰিবলৈ যোৱা নাছিল। আমাৰ দেছত জাপানৰ দৰে বুলেট ট্ৰেইন চলাবলৈ গৈছিল। কিন্তু বুলেট ট্ৰেইন চলাবলৈতো বহু টকা লাগিব। গতিকে জাপানক খুজিব গৈছিল। জাপানে ক'লে যে ক'ৰ পৰা ক'লৈকে বুলেট ট্ৰেইন চলিব, সেয়া প্ৰথমে তেওঁলোকে চাই-চিতি ল'ব। তাৰ পাছতহে টকা দিব। বাদশ্বাহে মাতি থৈ আহিল। জাপানৰ টীম এটা আহিল চাবলৈ। বাদশ্বাহে টীমটোক বুলেট ট্ৰেইন ক'ৰ পৰা ক'লৈকে চলিব, সেয়া ভালকৈ দেখুৱাই দিলে। তাৰ পাছত দেখুৱাবলৈ লৈ গ'ল বাৰানসীলৈ। তিনি ঘণ্টা ধৰি বাৰানসীত নদী- আৰতি চালে। তিনিঘণ্টীয়া আৰতি চাই উঠাৰ পাছত জাপানৰ টীমটোৰে বাদশ্বাহক ক'লে, 'আপোনালোকৰ হাতত যদি ইমানেই সময় থাকে, তেন্তে বুলেট ট্ৰেইন কিয় চলাব লাগেনো? যাৰ হাতত সময় নাথাকে, বুলেট ট্ৰেইন সিহঁতকহে লাগে।'

বাদশ্বাহে এইবাৰ যে বিদেছ-যাত্ৰা কৰিবলৈ গ'ল, তাৰো স্পেচিয়েল কাৰণ আছে। বিদেছৰ পৰা ফোন কৰি প্ৰাসাদৰ কটকীৰ পৰা দেছবাচীৰ হালচাল সোধাৰ সময়তো বাদশ্বাহে কৈছে— 'মই বিদেছ অহা বুলি দেছবাচীয়ে গম পাইছেনে?'

ঃ পাইছে জাহাপনা।


ঃ কিবা কৈছে নেকি?

ঃ নাই কোৱা জাহাপনা।

ঃ কোনোবাই কিবা ক'লে তহঁতেও কৈ দিবি।

ঃ কি ক'ম জাহাপনা?

ঃ কৈ দিবি যে মই এইবাৰ বিদেশলৈ অহাৰ স্পেচিয়েল কাৰণ আছে।




ঃ কি কাৰণ জাহাপনা?

ঃ মই এটা বেলেগ মতলব লৈ বিদেছ আহিছো।

ঃ কি মতলব?

ঃ আটায়ে কৈ আছিল নহয় যে মোৰ জনপ্ৰিয়তা কমিছে।

ঃ হয় জাহাপনা।

ঃ আচলতে মোৰ জনপ্ৰিয়তা কমিছে নে নাই, সেয়া জানিবলৈকে মই বিদেছলৈ আহিছো।

ঃ কি দেখিলে?

ঃ দেখিলো যে মোৰ জনপ্ৰিয়তা একদম কমা নাই। বিদেছৰ আটায়ে মোক বৰ মৰম দিছে। মোক বৰ ভাল পায় বুলি কৈছে।

ঃ হয় নেকি জাহাপনা?

ঃ হয়তো! মই এনেয়ে ক'ম নেকি?

ঃ কিন্তু জাহাপনা, আপোনাৰ জনপ্ৰিয়তা দেছতহে কমা বুলি কৈছে। গতিকে নিজৰ দেছতহে আপুনি আপোনাৰ জনপ্ৰিয়তা জুখিব লাগিছিল। দেছত নুজুখি বিদেছতহে জুখিব গ'ল যে!

বাদশ্বাহে থোকাথুকি মাতেৰে ক'লে— 'দেছত জুখিবলৈ ভয় লাগে অ'। তাতকৈ বিদেছতে বোমা ফুটাই থকা ভাল। নিৰাপদ!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# ভঁৰাল নাথাকিলেও আকালো নাই, মানুহৰ মৰমেই জমাধন

## শ্ৰমৰ আন এক নাম আব্দুল কালাম

**'মোৰ** ভঁৰাল নাথাকিলেও আকালো নাই। জমা ধন বুলিবলৈ একো নাই। এই বতাহঘূলি অঞ্চলত প্ৰায় ২৫/২৬ বছৰ থাকিলো। ইয়াৰ প্ৰায় সকলো মানুহেই মোক চিনি পায়। সকলোৰে বিশ্বাস কৰে। এই মানুহখিনি মৰমেই মোৰ জমাধন।' এইদৰেই মনৰ কথা ক'লে মহানগৰীৰ পাঞ্জাবাৰীৰ বতাহঘূলি অঞ্চলত পাচলিৰ ব্যৱসায় কৰা আব্দুল কালামে। শ্ৰমৰ আন এটা নামৰূপে বতাহঘূলি অঞ্চলত পৰিণত হৈ পৰা কালামে ৬০ৰ ঊৰ্ধ্বৰ বয়সতো এটা দিনো পৰিশ্ৰম অবিহনে পাৰ কৰা নাই। মধুমেহৰ বাবে পূৰ্বৰ স্বাস্থ্য এতিয়া নাথাকিলেও কালামে কেতিয়াও বিশ্ৰাম লোৱাৰ কথা নাভাবে। দুই কন্যা আৰু তিনি পুত্ৰই ইতিমধ্যে নিজা সংসাৰ গঢ়িছে। পত্নীৰ স'তে নিজৰ সংসাৰ অব্যাহত ৰাখিলেও তেওঁ কোনোদিনেই বিশ্ৰাম লোৱাৰ কথা ভবা নাই। অৱশ্যে দীৰ্ঘকাল ধৰি কঠোৰ শ্ৰম কৰাৰ পাছত এতিয়া জীৱনৰ বিয়লি বেলা তেওঁ এক সুস্থিৰ ব্যৱসায়ৰ দ্বাৰা দিন অতিবাহিত কৰিবলৈ সক্ষম হৈছে।



দৰং জিলাৰ খাৰুপেটীয়া নিবাসী কালামে জন্মৰ তিনি বছৰৰ পাছতে পিতৃক হেৰুৱাইছিল। তেতিয়াৰ পৰাই তেওঁ কেৱল দাৰিদ্ৰতাহে দেখি আহিছিল। মাতৃয়ে আনৰ ঘৰত হাজিৰা কৰি কালামৰ ভ্ৰাতৃ-ভগ্নীসকলৰ বাবে পেটৰ ভাতমুঠি যোগাৰ কৰিছিল। আৰ্থিক সমস্যাৰ বাবেই কালামে অধ্যয়নৰ ইচ্ছা থকা সত্ত্বেও সপ্তম শ্ৰেণীতে শিক্ষাৰ অন্ত পেলায় উপাৰ্জনৰ কথা চিন্তা কৰিবলৈ বাধ্য হৈছিল। প্ৰথমে কালামে গৈ ভালুকপুঙত ৰেলপথৰ শ্ৰমিকৰূপে কাম কৰে। তিনি-চাৰি বছৰ সেই কাম কৰাৰ পাছত তেওঁ শিৱসাগৰলৈ যায় আৰু তাতো প্ৰায় সাত বছৰ শ্ৰমিকৰূপে অতিবাহিত কৰে। ইয়াৰ পাছত কালামে পুনৰ ঘৰলৈ উভতি আহি বিয়া পাতে যদিও পৰিয়ালক সকাহ দিয়াৰ বাবেই মহানগৰীত জীৱিকাৰ সন্ধান কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে দুটা বছৰ তেওঁ ৰাণীত শিলভঙা কোৰেৰী এটাত শ্ৰমিকৰূপে কাম কৰে। তাৰ পাছত পত্নী জহুৰা খাতুনক গাঁৱৰ ঘৰত থৈ এদিন তেওঁ ভৰি দিছিল মহানগৰীৰ পাঞ্জাবাৰীৰ বতাহঘূলিত। সেয়া প্ৰায় ২৫/২৬ বছৰৰ আগৰ কথা। বতাহঘূলিত ভৰি দিয়াৰ পৰাই কালামৰ যাযাবৰী জীৱনৰ অন্ত পৰে। এটা সৰু কোঠা ভাড়াত লৈ তেওঁ অঞ্চলটোত হাজিৰা কৰিবলৈ আৰম্ভ কৰে। ট্ৰাকতো শ্ৰমিকৰূপে কাম কৰিছিল। কালামে কয়, 'কষ্ট কৰিবলৈ মই কেতিয়াও ভয় নকৰিছিলো। বতাহঘূলিৰ প্ৰায় সংখ্যক লোকৰ ঘৰতে মই হাজিৰা কৰিছিলো। সেয়ে প্ৰায় সকলোৱেই মোক চিনি পাইছিল। অৱশ্যে মধুমেহ ৰোগত আক্ৰান্ত হোৱাত মোৰ স্বাস্থ্য একেবাৰে ভাঙি পৰিছিল। অত্যন্ত দুৰ্বল হৈ পৰিছিলো। যাৰ বাবে শ্ৰম কৰিব নোৱৰা হৈ পৰিছিলো। চিকিৎসাৰ জৰিয়তে ৰোগৰ পৰা আৰাম পাইছিলো যদিও দুৰ্বলতা আঁতৰি নগ'ল। এনে সময়তে পাঞ্জাবাৰীৰ শনিবৰীয়া সাপ্তাহিক বজাৰলৈ অহা দলগাঁৱৰ কেইজনমান পাচলি ব্যৱসায়ীৰ স'তে মোৰ ঘনিষ্ঠতা হৈছিল। তেওঁলোকেই মোক পাচলি ব্যৱসায় শিকিবলৈ ক'লে। তেওঁলোকৰ কথা মতেই মই তেওঁলোকৰ স'তে কিছু কাল থাকি ব্যৱসায়ৰ ইটো-সিটো শিকিলো। তাৰ পাছত নিজাকৈ পাচলিৰ ব্যৱসায় আৰম্ভ কৰিলো।' কালামে কয় যে প্ৰথমে তেওঁ বিভিন্ন বজাৰলৈ গৈছিল আৰু পৰৱৰ্তী সময়ত মানুহৰ ঘৰে ঘৰেও পাচলি বিক্ৰী কৰিবলৈ লয়। কিন্তু ক'ভিড পৰিস্থিতিত তলাবন্ধৰ বাবে সেই ব্যৱসায় বন্ধ হয়। অৱশ্যে তেতিয়াও ভাঙি নপৰি তেওঁ তলাবন্ধৰ পাছত নতুন উদ্যমেৰে পাচলিৰ ব্যৱসায় আৰম্ভ কৰে। তলাবন্ধৰ সময়ত মানুহৰ ঘৰত হাজিৰা কৰিছিল বুলিও তেওঁ জনায়। অৱশ্যে তলাবন্ধৰ পাছত কালামে মানুহৰ ঘৰে ঘৰে গৈ পাচলি বিক্ৰী কৰাৰ পৰিৱৰ্তে বতাহঘূলি তিনিআলিৰ সমীপৰ এক স্থানত ব্যৱসায় আৰম্ভ কৰে। কালামে কয় যে তেওঁ এতিয়া বহি থকা স্থান পাচলি ব্যৱসায়ৰ বাবে সঠিক নহয়। যাৰ বাবে আশানুৰূপ ধৰণে তেওঁৰ পাচলি বিক্ৰী নহয়। তৎসত্ত্বেও কৰ্মী লোকজনে দোকানৰ বাৰাণ্ডাৰ পৰিৱৰ্তে শেহতীয়াকৈ সৰুকৈ বাঁহেৰে এখন দোকান সাজি ল'বলৈ সক্ষম হৈছে। কালামে কয় যে পাচলি বিক্ৰী আশানুৰূপ নহ'লেও তেওঁৰ মনত একো খেদ নাই। এই সামান্য উপাৰ্জনেৰেই তেওঁ পত্নীৰ স'তে চলি যাব পাৰিছে। কিয়নো তিনি পুত্ৰই হাজিৰা কৰি নিজৰ সংসাৰ চলাই আছে। অৱশ্যে উপাৰ্জন অধিক নোহোৱাৰ বাবেই তেওঁ এতিয়াও পত্নীক গাঁৱৰ ঘৰতে ৰাখিছে।

■ **প্ৰশান্ত বৰা**

# হাজোৰ পানীপাৰাত এটি বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৪ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ পানীপাৰাত আজি এটি বিৰল প্ৰজাতিৰ কাছ উদ্ধাৰ কৰা হৈছে। পুৱতি নিশাৰ ভাগত হাজো-গুৱাহাটী পথৰ পানীপাৰাত উদ্ধাৰ হৈছে বিৰল প্ৰজাতিৰ কাছটো। উদ্ধাৰ হোৱা কাছটো স্থানীয় লোকে ছপোৱা কাছ বুলিও জানিবলৈ দিছে। অঞ্চলটোৰ ৰাইজে উদ্ধাৰৰ পাছত পানীপাৰাৰ অকণ দাসৰ ঘৰত কাছটো সযতনে ৰাখি থয়। আজি পুৱা সমূহ পানীপাৰাবাসীৰ প্ৰচেষ্টাত কাছটো হাজোৰ ঐতিহাসিক হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বিষ্ণুপুষ্কৰ পুখুৰীত এৰি দিয়াৰ ব্যৱস্থা কৰে। অৱশ্যে কাছটো চাবলৈ আজি পুৱাৰে পৰা অঞ্চলটোৰ অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হয়।




# বিশ্বনাথত ক্ষুদ্ৰ কৰ'না ভাইৰাছৰ বিশাল ৰূপ

## সংহাৰী জীৱাণুৰ আৰ্হিত কালী পূজাৰ মণ্ডপ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৪ নৱেম্বৰ ঃ** আতচীকাচতো সহজে ধৰা নপৰা ক্ষুদ্ৰতম কৰ'না ভাইৰাছ এটাই সম্প্ৰতি বিয়াগোম আকাৰ লৈছে বিশ্বনাথ চাৰিআলিত। এই বিয়াগোম আকাৰৰ কৰ'না ভাইৰাছটোৱেই এতিয়া বিশ্বনাথবাসীৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছে। সমগ্ৰ বিশ্বকে আতংকিত কৰি ৰখা ক্ষুদ্ৰতম জীৱাণুবিধৰ এই বিয়াগোম ৰূপ দৰ্শন কৰাৰ বাবে এতিয়া ভিৰ লাগিছে বিশ্বনাথ চাৰিআলিৰ বালিপুখুৰীত।



উল্লেখ্য যে পোহৰৰ উৎসৱ দীপাৱলী আৰু কালী পূজা উপলক্ষে বিশ্বনাথ চাৰিআলি নগৰৰ সূৰ্যপুৰ বালিপুখুৰীত নিৰ্মাণ কৰা হৈছে এক পূজা মণ্ডপ। কৰ'না ভাইৰাছৰ আৰ্হিত এই পূজা মণ্ডপ সাজি উলিওৱা হৈছে। সেই বাবেই এই পূজা মণ্ডপ এতিয়া সকলোৰে আকৰ্ষণৰ বিষয়বস্তুত পৰিণত হৈছে। বিগত দুবছৰ ধৰি ক'ভিড-১৯ অতিমাৰীয়ে অসমৰ লগতে দেশত আতংকৰ সৃষ্টি কৰি আহিছে। মানুহৰ মন-মগজুত শিপাই ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিছে কৰ'নাই। সকলো সময়তে মানুহক যেন খেদি ফুৰিছে এই ক্ষুদ্ৰতম জীৱাণুৱে। এনে পৰিপ্ৰেক্ষিতত ক'ভিড-১৯ৰ সন্দৰ্ভত ৰাইজক সজাগ কৰি ৰোগ প্ৰতিৰোধ কৰাৰ লক্ষ্যৰেই কৰ'না ভাইৰাছৰ আৰ্হিত এই পূজা মণ্ডপ সাজি উলিওৱা বুলি জনাইছে বিশ্বনাথৰ সমন্বয় সংঘ কালী পূজা সমিতিয়ে।

# বিশ্বনাথৰ পদপথত জিক-মিক লাইট লৈ চীনা বৈদ্যুতিক সামগ্ৰীক প্ৰত্যাহ্বান



**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৪ নৱেম্বৰ ঃ** ভাৰতীয় উৎসৱ মানেই যেন চীনা সামগ্ৰীৰ পয়োভৰ। ক্ষুদ্ৰ ক্ষুদ্ৰ সামগ্ৰীৰ পৰা ডাঙৰ বস্তুলৈকে সকলো কৃত্ৰিম চীনা সামগ্ৰীয়ে উভৈনদী হৈ পৰে বজাৰ। পিছে এইবাৰ বিশ্বনাথৰ কুঁহিয়াৰবাৰী গাঁৱৰ খড়ানন্দ অধিকাৰী নামৰ এজন যুৱকে চীমা সামগ্ৰীক প্ৰত্যাহ্বান জনাই নিজে নিজে উলিয়ালে জিক্-মিক্ লাইট। কৰ্মসূত্ৰে ডিমাপুৰত থকা অধিকাৰীয়ে ২০২০ৰ প্ৰথম তলাবন্ধত কৰ্মহীন হৈ ঘৰতে থাকি পাছত কি কৰিব ভাবি নাপায় শেষত ইউটিউবযোগে প্ৰশিক্ষণ লৈ টুনী লাইট তৈয়াৰৰ সিদ্ধান্ত লয়। যুৱকজনে নিজে উপাৰ্জনৰ পথ প্ৰশস্ত কৰাৰ উপৰি এতিয়া আন ১০ জন যুৱককো দিছে উপাৰ্জনৰ পথ। ইয়াৰ উপৰি যুৱকজনে নিজে তৈয়াৰ কৰে তামোলৰ ঢকুৱাৰে নিৰ্মিত ডিছ্-প্লাছ ইত্যাদি থলুৱা সামগ্ৰী। বৰ্তমান যুৱকজনক প্ৰয়োজন এখন উদ্যোগিক বজাৰ গঢ়িব পৰাকৈ কিছু আৰ্থিক সাহায্য। তাৰ উপৰি চীনা সামগ্ৰীৰে পয়োভৰ ঘটা বৰ্তমানৰ বজাৰখনক কিমানজনে আদৰি লয় এই থলুৱা সামগ্ৰীসমূহ সেয়া পৰৱৰ্তী সময়তহে পৰিলক্ষিত হ'ব।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com